Content includes AI-generated material

আইপিএলক লৈ বিচিচিআইৰ ১৫ নিয়ম



বিতং বাতৰি শেষ পৃষ্ঠাত

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, MARCH 07, 2025 ■ শুকুৰবাৰ, ২৩ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৭০ Guwahati, Assam ।। মূল্যঃ এটকা

## বলীউড এতিয়া বিষাক্ত পৰিচালক অনুৰাগ কাশ্যপে এৰিলে মুম্বাই

মুম্বাই, ৬ মাৰ্চঃ মুম্বাই এৰিলে বলীউডৰ অন্যতম পৰিচিত পৰিচালক অনুৰাগ কাশ্যপে। বলীউডক ' ৪ পৃষ্ঠাত চাওক

## ব্ৰিটিছ ভূমিত খালিস্তানীৰ আক্ৰমণ ভাৰতৰ বিদেশ মন্ত্ৰীক!

### নিৰাপত্তাৰ ত্ৰুটিক লৈ লণ্ডনক প্ৰশ্ন দিল্লীৰ

খালিস্তানীয়ে ফালিলে ত্ৰিৰংগা



লণ্ডন, ৬ মাৰ্চঃ বিদেশ ভ্ৰমণৰ সময়ত আক্ৰমণৰ সন্মুখীন হ'ল ভাৰতৰ বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ! শেষাংশ ৩ পৃষ্ঠাত

## বিৰোধী ঐক্যক ফুটা কলহ আখ্যা মন্ত্ৰী অতুল বৰাৰ

ই-সংবাদ, ৬ মাৰ্চঃ আজি অসম বিধানসভাৰ বাহিৰত সংবাদ মাধ্যমৰ ৩ পৃষ্ঠাত চাওক

## '২৬ৰ ১ এপ্ৰিলৰ পৰা দেশত কাৰ্যকৰী হ'ব নতুন আয়কৰ আইন

## কেজৰিৱালৰ জেড নিৰাপত্তা কৰ্তন নহয়

নতুন দিল্লী, ৬ মাৰ্চঃ জেড শ্ৰেণীৰ নিৰাপত্তা বাহাল থাকিব দিল্লীৰ প্ৰাক্তন ৫ পৃষ্ঠাত

# ভাৰতীয়ৰ ডিজিটেল জগতত নজৰ মোদী চৰকাৰৰ

## টেট শিক্ষকৰ চচলত প্ৰতিবাদ

ই-সংবাদ, ৬ মাৰ্চঃ ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অন্তৰ্গত সদৌ অসম স্বাস্থ্য-কাৰিকৰী ৭ পৃষ্ঠাত

## মাজুলীৰ দলঙৈলে কেন্দ্ৰৰ ৭০০ কোটি



বিতং বাতৰি ৯ পৃষ্ঠাত

■ দেশবাসীক 'ডিজিটেল বন্দী' সজাব বিচৰাৰ অভিযোগ কংগ্ৰেছৰ

নতুন দিল্লী, ৬ মাৰ্চঃ এইবাৰ মানুহৰ ডিজিটেল জগতত প্ৰৱেশ কৰিবলৈ সাজু হৈছে কেন্দ্ৰীয় চৰকাৰ। শেহতীয়াকৈ মোদী চৰকাৰৰ আয়কৰ ২ পৃষ্ঠাত চাওক



চচলত টেট শিক্ষকৰ প্ৰতিবাদ

## মাজনিশা হঠাৎ উত্তপ্ত ডিব্ৰুগড়ৰ পলিটেকনিক

ই-সংবাদ, চাবুৱা-লাহোৱাল, ৬ মাৰ্চঃ কালি নিশা লাহোৱালৰ বকুলস্থিত ৩ পৃষ্ঠাত চাওক

## পুনৰ বিৰোধী ঐক্যত বিভাজন! বুদ্ধিজীৱিৰ গাত ৰং সানিলে অখিলে



ই-সংবাদ, ৬ মাৰ্চঃ নিজ দলৰে মুখ্য উপদেষ্টাক কংগ্ৰেছৰ ৰং সানিলে ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে। অখিল গগৈৰ হজম ৭ পৃষ্ঠাত

## মহানগৰ আৰক্ষীৰ গাড়ীৰ চকাৰ তলত সোমাল চেইন চোৰ আছাদুল

ই-সংবাদ, ৬ মাৰ্চঃ ভুৱা এনকাউণ্টাৰ সংঘটিত কৰাৰ অভিযোগত অসম আৰক্ষী প্ৰায়ে বিতৰ্কত থাকে। এনকাউণ্টাৰৰ প্ৰসংগক লৈ ২ পৃষ্ঠাত চাওক

## নাক কটা গ'ল আৰক্ষীৰ! মহানগৰীৰ পৰা চোৰে লৈ গ'ল বহিঃৰাজ্যৰ ৰাইডাৰৰ বাইক

ই-সংবাদ, ৬ মাৰ্চঃ এটা চুৰি কাণ্ডই নাক-কাণ কাটিলে অসম আৰক্ষী, গুৱাহাটী মহানগৰ আৰক্ষী আৰু অসম চৰকাৰৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শেষাংশ ৫ পৃষ্ঠাত



## ঢেকিয়াজুলিত গায়ন-বায়ন, ভাওনাৰ পোছাকত প্ৰতিবাদ অৱশেষত নতি স্বীকাৰ আঁকোৰগোজ মন্ত্ৰী সিংঘালৰ

ই-সংবাদ, ৬ মাৰ্চঃ অশোক সিংহল মুৰ্দাবাদ, অশোক সিংহলৰ দৰে বণিয়াৰ দাদাগিৰি নচলিব। আজি মন্ত্ৰী অশোক সিংহলৰ নিজ সমষ্টি ঢেকীয়াজুলিত এনেদৰে ৪ পৃষ্ঠাত

## মাজুলীত অশোক সিংঘালৰ প্ৰতিমূৰ্তি দাহ

## চৰ মাৰি ছ'ৰী ক'লে আমি মানি নলওঁঃ মীৰা

ই-সংবাদ, মাজুলী, ৬ মাৰ্চঃ "এফালে কাৰোবাক গালত চৰিয়াব আৰু ক্ষমা খুজিব সেইটো মানি নলওঁ, তেওঁলোকৰ ৬ পৃষ্ঠাত



## অখিল গগৈৰ দুখ! বিধানসভাৰ ভিতৰে-বাহিৰে অকলশৰীয়া

ই-সংবাদ, ৬ মাৰ্চঃ বিধানসভাত অকলশৰীয়া অখিল গগৈ। ফেচবুকযোগে শেহতীয়াকৈ এই কথা উল্লেখ ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতীয়ৰ ডিজিটেল জগতত নজৰ

কৰ্তৃপক্ষক গ্ৰাহকৰ ডিজিটেল জগতত প্ৰৱেশৰ অনুমতি প্ৰদান কৰা এখন নতুন আয়কৰ আইন গৃহীত কৰাৰ পিছতে দেশজুৰি সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ২০২৬ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হ'বলগীয়া এই নতুন আয়কৰ আইনৰ জৰিয়তে ভাৰতৰ আয়কৰ কৰ্তৃপক্ষই প্ৰতিজন ব্যক্তিৰ ছ'চিয়েল মিডিয়া একাউণ্ট, ইমেইল, বেংক একাউণ্ট, ট্ৰেডিং একাউণ্ট আদি পৰীক্ষা আৰু স্কেন কৰিব পাৰিব। নাগৰিকৰ ব্যক্তিগত গোপনীয়তাত হস্তক্ষেপ কৰিব পৰা এই নতুন আইনক লৈ উদ্বেগ প্ৰকাশ কৰিছে ৰাজনৈতিক আৰু আইনী বিশেষজ্ঞসকলে। লক্ষণীয় যে এতিয়া আয়কৰ কৰ্তৃপক্ষই যদি ভাবে যে কোনো ব্যক্তিয়ে আয়কৰ ফাঁকি দিছে বা অপ্ৰকাশিত আয়, সোণ, সম্পত্তি বা মূল্যৱান সামগ্ৰী আছে যাৰ ওপৰত আয়কৰ পৰিশোধ কৰা হোৱা নাই, তেন্তে ডিজিটেল প্ৰৱেশ বাইপাছ কৰাৰ ক্ষমতা থাকিব। ডিজিটেল সম্পত্তি চিনাক্তকৰণ আৰু আয়কৰ ফাঁকি ৰোধ কৰাত এই ব্যৱস্থাসমূহ ফলপ্ৰসূ হ'ব বুলি চৰকাৰে দাবী কৰিছে যদিও এনে আইন কাৰ্যকৰী হ'লে গোপনীয়তা উলংঘা হ'ব পাৰে বুলি আশংকা ব্যক্ত কৰিছে বিৰোধী আৰু বিশেষজ্ঞ মহলে। উল্লেখ্য যে আয়কৰ আইনৰ ১৩২ ধাৰাত পূৰ্বে কৰ্তৃপক্ষক সন্দেহযুক্ত লোকৰ সম্পত্তি তালাচী আৰু জব্দ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছিল। কিন্তু নতুন আইনখনে এই ক্ষমতাসমূহ মোবাইল ফোন আৰু কম্পিউটাৰ ছিষ্টেমলৈ সম্প্ৰসাৰিত কৰিছে। ই 'ভাৰ্চুৱেল ডিজিটেল স্পেচ' নামৰ এক নতুন ধাৰণা প্ৰৱৰ্তন কৰিছে, যাৰ জৰিয়তে কৰ্তৃপক্ষই ছ'চিয়েল মিডিয়া, ইমেইল, বেংক একাউণ্ট, ট্ৰেডিং একাউণ্ট ইত্যাদিকে ধৰি যিকোনো ডিজিটেল একাউণ্ট পৰীক্ষা বা স্কেন কৰাৰ সুবিধা লাভ কৰিব। এই নতুন আইনখনৰ ২৪৭ নং ধাৰাত উল্লেখ আছে, "যিকোনো দুৱাৰ, বাকচ বা লকাৰ খুলি প্ৰৱেশ কৰা আৰু সেই স্থানৰ নিৰাপত্তা সংহিতা বাইপাছ কৰি যিকোনো ডিজিটেল স্থানত প্ৰৱেশ কৰা", যাৰ ফলত আয়কৰ বিষয়াসকলৰ ক্ষমতা সম্প্ৰসাৰিত হৈছে। ইয়াৰ উপৰি এই নতুন ব্যৱস্থাই ডিজিটেল পৰিৱেশৰ প্ৰতিটো দিশও সামৰি লৈছে, যেনে ছ'চিয়েল মিডিয়া, ইমেইল চাৰ্ভাৰ, অনলাইন বিনিয়োগ একাউণ্ট, আৰু ক্লাউড চাৰ্ভাৰ। কিন্তু আইনী বিশেষজ্ঞসকলৰ মতে এই বিধানসমূহৰ বহল ভাষা আৰু অস্পষ্টতাক লৈ উদ্বেগ প্ৰকাশ পাইছে। চৰকাৰৰ দাবীৰ পিছতো এই আইন প্ৰয়োগৰ ক্ষেত্ৰত কোনো ন্যায়িক তদাৰকী বা পদ্ধতিগত সুৰক্ষাৰ ব্যৱস্থা নাই, যাৰ ফলত যিকোনো নাগৰিকৰ ডিজিটেল জীৱনত মুক্তভাৱে অনুসন্ধান কৰাৰ ক্ষমতা লাভ কৰিব।এই বিষয়টোৱে দেশৰ গোপনীয়তা আৰু মৌলিক অধিকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন হৈছে। নতুন আয়কৰ বিধেয়কক তীব্ৰভাৱে সমালোচনা কৰিছে বিৰোধী দল কংগ্ৰেছেও। কংগ্ৰেছৰ মতে, এই নতুন আইনখনে আয়কৰ কৰ্তৃপক্ষক সাধাৰণ মানুহৰ ডিজিটেল জীৱনত মুক্তভাৱে প্ৰৱেশৰ সুবিধা প্ৰদান কৰিব, যাৰ ফলত ভাৰতক "চাৰ্ভিলেন্স ষ্টেট"লৈ ৰূপান্তৰিত কৰা হ'ব। কংগ্ৰেছ নেত্ৰী সুপ্ৰিয়া শ্ৰীনেটে কয়, "এতিয়া আয়কৰ বিষয়াসকলে কোনো ৱাৰেণ্ট বা জাননী অবিহনেই সন্দেহৰ ভিত্তিত আমাৰ ডিজিটেল জীৱনত অনুসন্ধান কৰিব পাৰিব। যাৰ পৰিণামস্বৰূপে মানুহৰ কোনো ব্যক্তিগত বা গোপনীয়তাই নাথাকিব।" এনে এখন আইন আনি চৰকাৰে দেশৰ নাগৰিকক নিজৰ নিৰীক্ষণত ৰাখি নিজৰ মতে পৰিচালনা কৰিব বিচৰা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে সুপ্ৰিয়া শ্ৰীনেটে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰ আৰক্ষীৰ গাড়ীৰ চকাৰ তলত

অসমৰ বিৰোধী দল, আইনজ্ঞসকলে বিৰোধ কৰি অহাৰ লগতে উচ্চতম ন্যায়ালয়ে উদ্বেগ প্ৰকাশ কৰিছে। কিন্তু অসম আৰক্ষী থমকি ৰোৱা নাই। এইবাৰ নতুন পেটাৰ্নেৰে আৰক্ষীয়ে এনকাউণ্টাৰ কৰিছে। এইবাৰ পলায়নৰ সময়ত বন্দুকৰ গুলী নহয়, গাড়ীৰে চেপিছে গ্ৰেপ্তাৰ হোৱা অভিযুক্তক। আৰক্ষীৰ জিম্মাত থকা এজন অভিযুক্তই আৰক্ষীৰ গাড়ীৰ পৰা পলায়নৰ সময়ত আন এখন গাড়ীৰ সন্মুখত পৰি চকা গাৰে উঠি গৈ মৃত্যুৰে যুঁজ দিছে। তিনিমাহৰ ভিতৰত অপৰাধীয়ে আৰক্ষীৰ পৰা অস্ত্ৰ কাঢ়ি পলায়নৰ সময়ত গুৱাহাটী আৰক্ষীয়ে কেইবাটাও এনকাউণ্টাৰ কৰাৰ সময়তে এইবাৰ অভিযুক্তই পলায়নৰ চেষ্টা কৰাত গাড়ীৰ চকা গাৰে উঠি যায় গুৱাহাটীত। এখন গাড়ীৰে গ্ৰেপ্তাৰ হোৱা অভিযুক্তক অভিযানৰ বাবে নিশা আৰক্ষী থানাৰ পৰা উলিয়াই গাড়ীৰে নি থকাৰ সময়তে পলায়নৰ প্ৰয়াস কৰে। গাড়ীৰ পৰা জাঁপ দিয়াত সমীপৰে গৈ থকা অন্য এখন গাড়ীৰ তলত পৰে। ফলত সংকটজনক অৱস্থাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা চলিছে অভিযুক্তৰ। এই ঘটনা সংঘটিত হৈছে চচলত। গুৱাহাটী আৰক্ষীয়ে চেইন, মোবাইল চুৰিৰ অভিযোগত গ্ৰেপ্তাৰ কৰা আছাদুল ইছলামক নিশা চচললৈ নি থকাৰ সময়তে পলায়নৰ প্ৰয়াস কৰি অন্য এখন গাড়ীত দুৰ্ঘটনাত পতিত হয়। আৰক্ষীৰ গাড়ীৰ পৰা পলায়নৰ প্ৰয়াস কৰাত দুৰ্ঘটনাত পতিত হয়। জানিব পৰা মতে দিছপুৰ আৰক্ষীয়ে অভিযান চলাই গ্ৰেপ্তাৰ কৰিছিল আছাদুল ইছলামক। তাৰ পিছতে আছাদুল ইছলামক লগত লৈ চচলত অভিযান চলাবলৈ গৈছিল। আৰক্ষীৰ গাড়ীত বহুৱাই চললৈ নি থকাৰ সময়তে এজন কনিষ্টবলক গঁতিয়াই পলাবলৈ চেষ্টা কৰে আছাদুলে। সেই সময়তে অন্য এখন বাহনত খুন্দা লাগি আছাদুল আহত হয়। পলাবলৈ ধৰোতে গাড়ীৰ তলত সোমায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰে আৰক্ষীয়ে। সন্দেহ কৰা মতে, মহানগৰীৰ বহু অঞ্চলত আছাদুলে চেইন চুৰি কৰিছিল। সোণৰ চেইন চুৰিৰ সন্দেহত গ্ৰেপ্তাৰ কৰা আছাদুল ইছলামে আৰক্ষীৰ বেহু ফালি পলাবলৈ প্ৰয়াস কৰি আন গাড়ীৰ খুন্দাত গুৰুতৰভাৱে আহত হয়। আজি বিধানসভাৰ বাহিৰত অখিল গগৈয়ে এয়া দুৰ্ঘটনা নহয় ভুৱা এনকাউণ্টাৰ বুলি দাবী কৰে। হেণ্ডকাফ লগাই অপৰাধীক নি থকাৰ সময়ত যদি পলাইছে তেতিয়া তাত থকা প্ৰতিজন আৰক্ষী, বিষয়াৰ চাকৰি যাব লাগে বুলি দাবী কৰে অখিল গগৈয়ে। লগতে অখিল গগৈয়ে কয় যে এতিয়ালৈ এজনো আৰক্ষীৰ চাকৰি যোৱা নাই। কিয়নো হিমন্ত বিশ্ব শৰ্মাই নীতি লৈছে তোমালোকে গুলীয়াই হত্যা কৰি দিবা। কনফাৰেন্স পাতি হিমন্ত বিশ্ব শৰ্মাই এছপিসকলক কৈ দিছে যদি কেছ পোৱা কেছবিলাক ৰেজিষ্টাৰ নকৰিবা। যাতে নেচনেল ক্ৰাইম ব্যুৰৰ ৰিপৰ্টত নাহে। মহিলা-শিশুৰ নিৰ্যাতনত নেচনেল ক্ৰাইম ব্যুৰৰ ৰিপৰ্টত অসম এক নম্বৰত আছে। আইন-শৃংখলাৰ ক্ষেত্ৰতো ৰিপৰ্টত অসম এক নম্বৰত আহে। এতিয়া গোচৰৰ পঞ্জীয়ন বন্ধ কৰি দিলে। দ্বিতীয়তে পৃথিৱীত নোহোৱা-নোপোজা কাম, সংবিধানবিৰোধী কাম অভিযুক্তক ধৰিয়েই লগালগ গুলীয়াই দিয়ে। গুলীয়াই দি কয় ই পলাব খুজিছিল। যদি হাত বান্ধি অনা মানুহ এটা পলাব পাৰে তেন্তে তোমালোক পুলিচ দুই নম্বৰী, দুৰ্বল। পেট বাঢ়িছে। দৌৰিব নোৱাৰা। চোৰ ধৰিব নোৱাৰা। হেণ্ডকাফে কাম নকৰে, ছিঙি যায়। কেতিয়াও কোনো এনকাউণ্টাৰক সমৰ্থন কৰা উচিত নহয়। ই মানৱতাবিৰোধীয়েই নহয় সংবিধানবিৰোধীও। যি অপৰাধীয়ে নহওক লাগিলে ফাঁচী দিয়াৰ ব্যৱস্থা কৰক। গুলীয়াই হত্যা কৰক, কিন্তু আইন অনুসৰি বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰাৰ পাছতহে।

অসম চৰকাৰ, মুখ্যমন্ত্ৰীক, গৃহ বিভাগক ভুৱা এনকাউণ্টাৰ বন্ধ কৰিবলৈ মই দাবী জনাইছো। -- এইদৰে কয় শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিৰোধী ঐক্যক ফুটা কলহ আখ্যা মন্ত্ৰী

সন্মুখত বিৰোধী ঐক্য মঞ্চক তীব্ৰ আক্ৰমণ কৰে অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা আৰু বিজেপিৰ বিধায়ক মানৱ ডেকাই। কংগ্ৰেছ নেতৃত্বাধীন অসমৰ বিৰোধী ঐক্য মঞ্চৰ দলসমূহৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণ আৰু আজি বিৰোধী ঐক্য মঞ্চৰ গুৰি ধৰোতা বিশিষ্ট বুদ্ধিজীৱী হীৰেন গোহাঁয়ে এখন বাতৰি কাকত যোগে এটা স্তম্ভ লিখি অখিল গগৈক তীব্ৰ সমালোচনা কৰে আৰু 'অখিলৰ গতিবিধি বুজি নাপাওঁ' বুলি কোৱাত অগপ সভাপতি তথা মন্ত্ৰী অতুল বৰাই অসমৰ বিৰোধী ঐক্য মঞ্চক ফুটা কলহৰ সৈতে ৰিজায়। ফুটা কলহত যেনেকৈ পানী নাপায় ঠিক তেনেকুৱাই বিৰোধী ঐক্য মঞ্চ। ভগৱান শ্ৰীকৃষ্ণ আৰু দুৰ্যোধনৰ প্ৰসংগ উল্লেখ কৰি অতুল বৰাই কয় যে ভগৱান শ্ৰীকৃষ্ণই কৈছিল পাণ্ডৱে মাথোঁ পাঁচখন গাঁও বিচাৰিছে দিয়া। অহংকাৰী দুৰ্যোধনে নুশুনিলে। কংগ্ৰেছ আৰু দুৰ্যোধনৰ মাজত পাৰ্থক্য নাই। মই পূৰ্বে কৈছিলো ২০২১ চনৰ আগত জন্ম হোৱা দল কংগ্ৰেছৰ সন্তান। কংগ্ৰেছৰে নাতিপুতি, পুলি-পোখা। সেইবিলাকৰ চৰিত্ৰও দেখিছো দুৰ্যোধনৰ দৰেই। স্বাভাৱিকতে অসমত বিৰোধী ঐক্য ফুটা কলহৰ দৰে। যিসকল লগলাগি আছে পিতৃ-মাতৃ, সন্তান সকলোৰে চৰিত্ৰ দুৰ্যোধনৰ দৰে। দুৰ্যোধনৰ কথাই শুনা নাই। হীৰেন গোহাঁই ছাৰৰ কথা কোনে শুনিব। লগ লগাসকল ৰাজনৈতিক ব্যক্তি। অৰাজনৈতিক ব্যক্তিৰ দ্বাৰা পৰিচালিত হ'ব বুলি মই নাভাবো। বিজেপিৰ বিধায়ক মানৱ ডেকাই অখিল গগৈক তাচ্ছিল্য কৰি কয় যে অখিল গগৈয়ে এই জনমত মুখ বন্ধ কৰিবনোৱাৰে। জঁপিয়াই থকা আৰু মুখ বন্ধ কৰা তেওঁ স্বভাৱসুলভভাৱে এই কাম কৰি থাকে। অখিল গগৈয়ে মুখ বন্ধ কৰিলে তেওঁৰ অস্তিত্বই নাইকিয়া হ'ব। আমিও আশা কৰো মুখ খুলি থাকক। একেই ডাইৰেক্টৰ, একেই এক্টৰ, একেই স্ক্ৰীপ্ট একেই চিনেমা। সকলোখিনিয়ে আপোন মানুহ। অখিল গগৈ কটন কলেজত থকাৰ দিনৰ পৰাই বুদ্ধিজীৱীৰ আপোন। অখিল গগৈৰ ইউএছপিটোৱে হৈছে য'তে-ত'তে মতা। এই বুদ্ধিজীৱীসকল এন্টী ইণ্ডিয়া, লেফ্টটিষ্ট। যাক সমৰ্থক কৰে সিয়ে হাৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ব্ৰিটিছ ভূমিত খালিস্তানীৰ আক্ৰমণ

ব্ৰিটেইনৰ ৰাজধানী লণ্ডনৰ চাথাম হাউছৰ বাহিৰত আক্ৰমণকাৰীয়ে জয়শংকৰৰ কনভয়লৈ খেদি অহাৰ লগতে ভাৰতৰ ৰাষ্ট্ৰীয় পতাকাও ফালি পেলায়। ব্ৰিটেইনৰ মাটিত ভাৰতৰ বৈদেশিক মন্ত্ৰীৰ বিৰুদ্ধে এনে ঘটনাই নিৰাপত্তাজনিত গুৰুতৰ প্ৰশ্নৰ উত্থাপন কৰিছে। বুধবাৰে নিশা লণ্ডনৰ চাথাম হাউছত এক আলোচনাত অংশগ্ৰহণ কৰিবলৈ গৈছিল জয়শংকৰ। ইতিমধ্যে তাত খালিস্তান সমৰ্থক, প্ৰতিবাদকাৰীৰ সমাগম হৈছিল। আৰক্ষীৰ সন্মুখত খালিস্তানী সমৰ্থকে ভাৰতবিৰোধী শ্ল'গান দিয়াৰ সময়ত লণ্ডন আৰক্ষী কাৰ্যতঃ নীৰৱ দৰ্শক হৈ থকাৰো অভিযোগ উত্থাপন হৈছে। ইফালে, বৈঠকৰ অন্তত জয়শংকৰৰ কনভয় ওলাই যোৱাৰ মুহূৰ্তত এজন ব্যক্তিয়ে তেওঁৰ বাহনৰ সন্মুখলৈ দৌৰি আহি ভাৰতৰ জাতীয় পতাকা ফালি পেলায়। তাৰ পাছত আৰু কেইজনমান খালিস্তানী সমৰ্থক, প্ৰতিবাদকাৰীয়ে বৈদেশিক মন্ত্ৰীগৰাকীৰ কনভয়ৰ কাষ চাপি বিক্ষোভ প্ৰদৰ্শন কৰে আৰু ভাৰতবিৰোধী শ্ল'গান দিবলৈ আৰম্ভ কৰে। ইতিমধ্যে এই ঘটনাৰ ভিডিঅ' ভাইৰেল হৈ পৰিছে। একে সময়তে ব্ৰিটেইনৰ মাটিত ভাৰতৰ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ নিৰাপত্তাক লৈ অৱহেলা দেখুওৱাৰো অভিযোগ উত্থাপন হৈছে। এই ঘটনা কিয় সংঘটিত হ'ল সেই সন্দৰ্ভত ব্ৰিটেইনৰ প্ৰশাসনে কোনো স্পষ্ট ব্যাখ্যা এতিয়ালৈকে প্ৰদান কৰা নাই। ভাৰতীয় বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয় যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰীৰ ব্ৰিটেইন ভ্ৰমণৰ সময়ত আমি নিৰাপত্তাত সংঘটিত ত্ৰুটিৰ ফুটেজ দেখিছো। বিচ্ছিন্নতাবাদী শক্তিৰ এনে কাৰ্য নিন্দনীয়। এই ঘটনাৰ আঁৰত খালিস্তানী সমৰ্থক নেতা গুৰপতৱন্ত সিং পন্নুৰ 'শিখছ ফৰ জাষ্টিচ' সংগঠন জড়িত থকা বুলি প্ৰথমে সন্দেহ কৰা হৈছে। এই সংগঠনটোৱে ইয়াৰ পূৰ্বেও ব্ৰিটেইনৰ ভূমিত ভাৰতবিৰোধী কাম-কাজ চলাই আহিছে। এই সংগঠনৰ সদস্যসকলে স্কটলেণ্ডৰ গ্লাছগোত ভাৰতীয় উচ্চায়ুক্ত বিক্ৰম দুৰাইস্বামীক আক্ৰমণৰ চেষ্টা চলাইছিল। লণ্ডনত ভাৰতীয় উচ্চায়ুক্তৰ সন্মুখতো আক্ৰমণৰ চেষ্টা চলাইছিল। কিন্তু বাৰে বাৰে ঘটনা সংঘটিত হোৱাৰ পাছতো ব্ৰিটিছ প্ৰশাসনে কাৰ্যতঃ নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰা বুলি অভিযোগ উত্থাপন হৈছে। ইফালে এই ঘটনাৰ মাত্ৰ কেইঘণ্টামান পূৰ্বে বিদেশমন্ত্ৰী জয়শংকৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেয়ৰ ষ্টাৰমাৰৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হৈছিল। বৈঠকত ভাৰত-ব্ৰিটেইনৰ অৰ্থনৈতিক সহযোগিতা, জনসাধাৰণৰ আদান-প্ৰদান, ইউক্ৰেইন যুদ্ধকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। কিন্তু সেই ভ্ৰমণৰ সময়ত ভাৰতীয় বিদেশ মন্ত্ৰীগৰাকীৰ ওপৰত এনেধৰণৰ আক্ৰমণে ভাৰতীয় কূটনৈতিক মহলত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ইংৰাজ চৰকাৰৰ ভূমিকাক লৈও আন্তঃৰাষ্ট্ৰীয় মহলত বহু প্ৰশ্নৰ উত্থাপন হৈছে। পৰিস্থিতি কি দিশলৈ গৈ আছে সেই সন্দৰ্ভত ভাৰত চৰকাৰে লক্ষ্য ৰখাৰ লগতে ব্ৰিটেইনৰ ওচৰত এই  সন্তৰ্ভত তীব্ৰ প্ৰতিবাদ দাখিল কৰিব পাৰে বুলি ধাৰণা কৰা হৈছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজনিশা হঠাৎ উত্তপ্ত ডিব্ৰুগড়ৰ

ডিব্ৰুগড় পলিটেকনিক ইনষ্টিটিউটত অনুষ্ঠিত সদৌ অসম পলিটেকনিক সভা আৰু সাংস্কৃতিক কাৰ্যসূচীৰ সময়ত ছাত্ৰ আৰু স্থানীয় যুৱকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। এই ঘটনাত পাঁচজন ছাত্ৰ প্ৰহাৰৰ বলি হোৱাৰ লগতে এজন ছাত্ৰৰ মোবাইল ফোন কাঢ়ি নিয়াৰ অভিযোগ উত্থাপন হৈছে। উত্তপ্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লাহোৱাল আৰক্ষীয়ে হস্তক্ষেপ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ঘটনাৰ বিৱৰণী অনুসৰি, ডিব্ৰুগড় পলিটেকনিকত অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াৰ সময়ত স্থানীয় যুৱকৰ এটা দলে ছাত্ৰ-ছাত্ৰীক মাৰপিট কৰাৰ অভিযোগ উঠে। ছাত্ৰ আৰু যুৱকৰ দলটোৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। সংঘৰ্ষৰ সময়ত এজন ছাত্ৰৰ মোবাইল ফোন কাঢ়ি লৈ যোৱাৰ অভিযোগ উঠিছে। জানিব পৰা মতে, কালি নিশা ডিব্ৰুগড়ৰ পলিটেকনিকত উত্তপ্ত পৰিৱেশৰ সৃষ্টি হোৱাত লাহোৱাল আৰক্ষীৰ দল উপস্থিত হ'বলগীয়া হয়। অসমৰ ২৬ খন পলিটেকনিকৰ মাজত অনুষ্ঠিত সদৌ অসম পলি সভাৰ সাংস্কৃতিক সন্ধিয়াত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। কণ্ঠশিল্পী নীলাভ নিতাৰ সংগীতানুষ্ঠান চলি থকাৰ সময়তে সুৰাত মাতাল যুৱকৰ দলে উদ্ভাওুলি কৰাৰ অভিযোগ উঠে। যুৱকৰ দলটোৱে সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থকা ছাত্ৰক মাৰপিট কৰে। লগতে এজন ছাত্ৰৰ মোবাইল কাঢ়ি নিয়াৰ অভিযোগ উঠে। ফলত ডিব্ৰুগড় পলিটেকনিকত উত্তপ্ত পৰিস্থিতি সৃষ্টি হয়। তেনে সময়তে লাহোৱাল আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ডিব্ৰুগড় পলিটেকনিকত অধ্যয়নৰত পাঁচজন ছাত্ৰ প্ৰহাৰৰ বলি হয়। ঘটনা সন্দৰ্ভত ডিব্ৰুগড় পলিটেকনিক ছাত্ৰ একতা সভাই লাহোৱাল আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ঘটনাৰ লগত জড়িত যুৱকৰ দলটোৰ ওপৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ঘটনাৰ পিছত ভুক্তভোগী ছাত্ৰসকল আৰু ছাত্ৰ একতা সভাই ঘটনাটোৰ তদন্ত কৰি দোষীসকলৰ বিৰুদ্ধে শীঘ্ৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষীক দাবী জনাইছে। ছাত্ৰ একতা সভাৰ প্ৰতিনিধিসকলে কয় যে এই ধৰণৰ ঘটনাই শিক্ষানুষ্ঠানৰ শান্তিপূৰ্ণ পৰিৱেশ বিনষ্ট কৰে আৰু ছাত্ৰসকলৰ নিৰাপত্তাত সন্দেহৰ সৃষ্টি কৰে। আৰক্ষীয়ে ঘটনাটোৰ তদন্ত আৰম্ভ কৰিছে আৰু অভিযুক্তসকলক ধৰিবলৈ অভিযান চলোৱা বুলি জানিব পৰা গৈছে। ছাত্ৰসকলক নিৰাপত্তা প্ৰদানৰ বাবে আৰক্ষীয়ে শিক্ষানুষ্ঠানৰ চৌহদত আৰক্ষী মোতায়েন কৰিছে। এই ঘটনাই ডিব্ৰুগড় পলিটেকনিকৰ ছাত্ৰসকলৰ মাজত উদ্বেগৰ সৃষ্টি কৰিছে। ছাত্ৰসকলে আশংকা কৰিছে যে যদি এই ধৰণৰ ঘটনাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা নলয়, তেন্তে ভৱিষ্যতে এনে ঘটনাৰ পুনৰাবৃত্তি হ'ব পাৰে। ছাত্ৰ একতা সভাই শিক্ষানুষ্ঠানৰ পৰিৱেশ শান্তিপূৰ্ণ কৰি ৰাখিবলৈ আৰক্ষী আৰু প্ৰশাসনৰ সহায় বিচাৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# পৰিচালক অনুৰাগ কাশ্যপে এৰিলে

'বিষাক্ত' অভিহিত কৰি ঠিকনা সলনি কৰিলে গেংছ অৱ ৱাছেপুৰ, ডেভ ডি, লাঞ্চবক্স, ছহিদ আদিৰ ছবিৰ পৰিচালক অনুৰাগ কাশ্যপে। বলীউডৰ সাম্প্ৰতিক পৰিবেশৰ লগত খাপ খুৱাব পৰা নাই বুলি স্পষ্ট কৰি দিছে কাশ্যপে। নতুন ঠিকনাত থিতাপি লোৱাৰ পিছত তেওঁ মুম্বাইলৈ উভতি যাব নিবিচাৰে বুলি কয়। শেহতীয়াকৈ 'দ্য হিন্দু'ৰ সৈতে হোৱা এক সাক্ষাৎকাৰত অনুৰাগ কাশ্যপে কয় যে মুম্বাই এৰি যোৱাৰ মূল কাৰণ হ'ল বলীউডৰ পৰিৱৰ্তিত পৰিৱেশ। তেওঁৰ মতে, উদ্যোগটোৱে এতিয়া কেৱল ডাঙৰ ব্যৱসায়ৰ সপোনহে দেখিছে, য'ত সৃষ্টিশীলতাৰ কোনো মূল্য নাই। তেওঁ কয়, "মই মুম্বাই এৰিলোঁ। মই ছবি জগতৰ মানুহৰ পৰা আঁতৰি থাকিব বিচাৰো। উদ্যোগটো এতিয়া বহুত বিষাক্ত হৈ পৰিছে। সকলোৱে মাথোঁ ৫০০-৮০০ কোটিৰ ব্যৱসায়ৰ পিছত দৌৰিছে। সৃষ্টিশীলতা ক'তো নাই?" ইফালে পৰিচালকগৰাকীয়ে নতুন ঘৰ ভাৰালৈ লোৱা বুলিও মন্তব্য কৰে যদিও তেওঁ ক'ত নতুন ঠিকনা বিচাৰিছে সেয়া এতিয়াও স্পষ্ট কৰা নাই। অৱশ্যে সূত্ৰ অনুসৰি তেওঁ এতিয়া বেংগালুৰুত আছে। যিখন চহৰে এদিন তেওঁক পৰিচয় দিছিল, সেই চহৰখন এৰি যোৱাৰ কাৰণ সন্দৰ্ভত অনুৰাগ কাশ্যপে কয়, "এখন চহৰ কেৱল ইটা-শিলৰ গঠন নহয়, ই ইয়াৰ মানুহৰ দ্বাৰাও গঠিত। কিন্তু ইয়াৰ মানুহে আপোনাক তললৈ টানি নিব।" তেওঁ দাবী কৰে যে কেৱল তেওঁ নহয়, বহু ডাঙৰ পৰিচালককেও বলীউড এৰি আন ঠাইলৈ গুচি গৈছে। তেওঁৰ মতে, "আটাইতকৈ ডাঙৰ পলায়ন হৈছে মধ্যপ্ৰাচ্য বিশেষকৈ ডুবাইলৈ। কিছুমানে পৰ্তুগাল, লণ্ডন, জাৰ্মানী, আমেৰিকাত বসতি স্থাপন কৰিছে। মই ইয়াত মূল সুঁতিৰ পৰিচালকৰ কথা কৈছো।'নতুন ঠাইলৈ স্থানান্তৰিত হোৱাৰ পিছত তেওঁৰ জীৱনতো ডাঙৰ পৰিৱৰ্তন হৈছে। কাশ্যপে কয়, "মোৰ এতিয়া চাপ কম। মোৰ কামত মনোনিৱেশ কৰিবলৈ যথেষ্ট সময় পাওঁ। মোৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ উন্নতি হৈছে। সবাতোকৈ ডাঙৰ কথাটো হ'ল মই মদ খোৱা বন্ধ কৰি দিছো।" উল্লেখ্য যে চলিত বৰ্ষৰ আৰম্ভণিতে অনুৰাগ কাশ্যপে কৈছিল যে তেওঁ বলীউডৰ কৰ্ম সংস্কৃতিৰ পৰা ভাগৰি পৰিছে আৰু এতিয়া তেওঁ দক্ষিণৰ চলচ্চিত্ৰ জগতত কাম কৰিব বিচাৰিছে। মুম্বাই এৰি যোৱাৰ সিদ্ধান্তক লৈ এতিয়া তেওঁ যে সকাহ পাইছে সেয়া স্পষ্ট। এতিয়া তেওঁ ক'ত কাম কৰিব সেয়া সময়েহে ক'ব, কিন্তু বলীউডৰ প্ৰতি তেওঁৰ ক্ষোভ তেওঁৰ কথাৰ পৰা স্পষ্ট হৈ পৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৱশেষত নতি স্বীকাৰ আঁকোৰগোজ

শ্ল'গান দি উত্তাল পৰিস্থিতিৰ সৃষ্টি কৰে কংগ্ৰেছে। শোণিতপুৰ জিলা কংগ্ৰেছৰ উদ্যোগত আজি শ-শ প্ৰতিবাদকাৰীয়ে ঢেকীয়াজুলি চহৰৰ মাজেদি প্ৰতিবাদী শোভাযাত্ৰা কৰি অশোক সিংহলক হুঁচিয়াৰ কৰি দিয়ে। অসমীয়া সংস্কৃতি আৰু গুৰুজনাক অপমান কৰা অশোক সিংহলক নিন্দা কৰি বহু প্ৰতিবাদকাৰীয়ে ভাওনাত ব্যৱহৃত মুখা, পোছাক আদি পিন্ধি অশোক সিংহলক প্ৰত্যাহ্বান জনাই গুৰুজনাৰ অমৰ সৃষ্টিক পৃথিৱী থকালৈ অসমৰ বুকুৰ পৰা বিলুপ্ত কৰিব নোৱাৰিব বুলি হুংকাৰ দিয়ে। আৰএছএছ আৰু বিজেপিৰ এজেণ্ট হিচাপে কাম কৰা সিংহলে শংকৰদেৱ-মাধৱদেৱ গুৰুজনাৰ আদৰ্শ মচি পেলাবলৈ কাম কৰি থকাৰ অভিযোগ আনি কয় যে অশোক সিংহল অসমৰ ৰাজনীতিৰ পৰা বিলুপ্ত হৈ যাব যদিও গুৰুজনাৰ অমৰ সৃষ্টি পৃথিৱী থকালৈ থাকিব বুলি উল্লেখ কৰে। আজি কংগ্ৰেছৰ ৰেলীত গায়ন-বায়ন, ভাৱৰীয়াৰ পোছাকত বহু লোক ওলাই আহে। প্ৰতিবাদকাৰীয়ে অশোক সিংহল হায়ঃ হায়ঃ বিজেপি গ'-বেক আদি ধ্বনিৰে ঢেকীয়াজুলি চহৰ উত্তাল কৰি তোলে। শোণিতপুৰ জিলা কংগ্ৰেছৰ নেতৃত্বত অহা শ-শ প্ৰতিবাদকাৰীয়ে আজি বিজেপি নেতাজনৰ বিৰুদ্ধে প্ৰতিবাদ কৰি অশোক সিংহলক আঁঠুকাঢ়ি ক্ষমা খোজাৰ দাবী জনায়। ইপিনে আজি মন্ত্ৰী অশোক সিংহলে ক্ষমা খুজিবলৈ বাধ্য হয়। অশোক সিংহল ক্ষমা খোজাৰ কিছু সময় পূৰ্বে গুৱাহাটী প্ৰেছ ক্লাবে এটা ফেচবুক পোষ্ট দি তেওঁলোকৰ দাবীত অটল হৈ আছিল। সিংহলে ক্ষমা নোখোজা পৰ্যন্ত এৰি নিদিয়াৰ হুংকাৰ দিয়াৰ পিছতে সিংহলে ক্ষমা খোজে। আজি পুনৰ গুৱাহাটী প্ৰেছ ক্লাবে কয় যে গুৱাহাটী প্ৰেছ ক্লাবৰ ভাওনালৈ সৰ্বস্তৰৰ ব্যক্তি, ৰাজনৈতিক-অৰাজনৈতিক দল-সংগঠনক নিমন্ত্ৰণ জনোৱা হৈছে। ৩ মাৰ্চত এটা প্ৰতিনিধি দলে মন্ত্ৰী অশোক সিংহলক সাক্ষাৎ কৰোতে তেওঁ 'প্ৰেছ ক্লাবে ভাওনা কিয় পাতিব লাগে, ভাওনা ছেকুলাৰ নহয়' জাতীয় বাক্যৰে গুৰুজনাক অপমান কৰা কাৰ্যৰ পাছত তেওঁৰ মানসিকতা সলনি কৰি স্পষ্টীকৰণ বিচাৰিছিল ক্লাবে। কিন্তু ২৪ ঘণ্টা উকলি যোৱাৰ পাছতো সদুত্তৰ নাপালে অসমৰ ৰাইজে। মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমত এই সম্পৰ্কে এটা পোষ্ট কৰি এই কথা নস্যাৎ কৰিছে যদিও গুৱাহাটী প্ৰেছ ক্লাবে আজিও নিজৰ দৃঢ় স্থিতি অটুট ৰাখিছে আৰু অনতিপলমে মন্ত্ৰীগৰাকীক ক্ষমা খুজিবলৈ দাবী জনায়। গুৱাহাটী প্ৰেছ ক্লাবে নিজৰ দাবীত অটল হৈ থকাত নেগুৰ পেলাবলৈ বাধ্য হয় অশোক সিংহল। অৱশেষত ক্ষমা খোজে। সিংহলে সামাজিক মাধ্যমত এটা পোষ্ট দি কয় যে মহাপুৰুষজনাৰ অনুপম সৃষ্টি ভাওনা সন্দৰ্ভত মই নেতিবাচক মন্তব্য দিয়া বুলি শেহতীয়াকৈ এক প্ৰচাৰ চলোৱা হৈছে। কিন্তু মই এনে মন্তব্য দিয়া বুলি চলোৱা প্ৰচাৰ সম্পূৰ্ণ ভিত্তিহীন আৰু মই এনে মন্তব্য দিয়াৰ প্ৰশ্নই উত্থাপন নহয়। কিন্তু সমগ্ৰ বিষয়টোক লৈ একাংশ সংবাদ মাধ্যমত বিভিন্ন বাতৰি প্ৰচাৰিত হৈছে আৰু বিষয়টো সন্দৰ্ভত জনমানসত এক ভুল ধাৰণাৰ সৃষ্টি কৰা হৈছে। এই বিষয়টোৱে কাৰোবাৰ মনত হয়তো দুখ দিব পাৰে। এই বিষয়টোক লৈ মই কোনো অনাহক বিতৰ্ক বিচৰা নাই যদিও বিষয়টোৱে যদি কাৰোবাৰ মনত দুখ দিছে, তেন্তে তাৰবাবে মই ক্ষমাপ্ৰাৰ্থী। অশোক সিংহলে ক্ষমা খুজিছে যদিও গুৱাহাটী প্ৰেছ ক্লাবে ক্ষমা কৰি দিব নে নাই নে সেই কথা পৰৱৰ্তী সময়ত জানিব পৰা যাব। গুৱাহাটী প্ৰেছ ক্লাবে 'কিয় ভাওনা পাতিব লাগে, সময় নষ্ট হয়, ভাওনা ছেকুলাৰ নহয়।' এনে মন্তব্য প্ৰদান কৰি বিতৰ্কত সোমাই পৰিছিল মন্ত্ৰী তথা ঢেকীয়াজুলি সমষ্টিৰ বিধায়ক অশোক সিংহল। গুৱাহাটীত অট্টালিকা নিৰ্মাণৰ ঠিকাদাৰ ৰূপে জনাজাত বণিয়া অশোক সিংহলে অসমীয়া জাতিক ভয়ংকৰভাৱে অপমান কৰাত ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। এটা ব্যক্তিগত খণ্ডৰ নিউজ চেনেলৰ সাংবাদিক পংকজ শৰ্মাই মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। গুৱাহাটী প্ৰেছ ক্লাবে অনুষ্ঠিত কৰা ভাওনাত উপস্থিত থাকিবৰ বাবে অশোক সিংহলক নিমন্ত্ৰণ জনাবলৈ যোৱাৰ সময়ত 'ভাওনাৰ কাম নাই, এইবোৰ সময় নষ্ট, ভাওনা ছেকুলাৰ নহয়" বুলি অশোক সিংহলে কোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে সাংবাদিকে পংকজ শৰ্মাই। তাৰ পিছতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়। বিভিন্ন দল-সংগঠনে সিংহলক আক্ৰমণৰ লক্ষ্য কৰি লয়। সিংহলক বণিয়া আখ্যা দি অসমীয়া জাতীয় কৃষ্টিক অপমান কৰাৰ অধিকাৰ ক'ত পালে বুলি উভতি ধৰে বিভিন্নজনে। ইফালে, মন্ত্ৰীগৰাকীয়ে ক্ষমা বিচৰাৰ পিছত পৰিস্থিতি শাম কাটিছে যদিও ভিন্নজনে এতিয়াও কথাটো মানি লব পৰা নাই।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কেজৰিৱালৰ জেড নিৰাপত্তা

মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টিৰ নেতা অৰবিন্দ কেজৰিৱালৰ। কেজৰিৱালে লাভ কৰা জেড শ্ৰেণীৰ নিৰাপত্তৰ কোনো সালসলনি নকৰাৰ সিদ্ধান্তৰ বিষয়ে অৱগত কৰিছে কেন্দ্ৰীয় চৰকাৰৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ে। পঞ্জাবত কেজৰিৱালৰ 'ট্ৰাম্প সদৃশ' কনভয়ক লৈ অব্যাহত থকা বিতৰ্কৰ মাজতে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ নিৰাপত্তা বিষয়ক লৈ পোহৰলৈ আহিছে এই তথ্য। উল্লেখ্য যে কেজৰিৱালৰ নিৰাপত্তা সন্দৰ্ভত দিল্লী আৰক্ষীয়ে গৃহ মন্ত্ৰালয়ৰ পৰা নিৰ্দেশনা বিচাৰিছিল। বাতৰি অনুসৰি, দিল্লী আৰক্ষীয়ে চোৰাংচোৰা তথ্যৰ ভিত্তিত গৃহ মন্ত্ৰালয়লৈ প্ৰতিবেদনো প্ৰেৰণ কৰিছিল যদিও সকলো বিবেচনা কৰি শেষত প্ৰাক্তন মুখ্যমন্ত্ৰী কেজৰিৱালৰ নিৰাপত্তা অপৰিৱৰ্তিত ৰখাৰ সিদ্ধান্ত লয় গৃহ মন্ত্ৰণালয়ে। মন কৰিবলগীয়া যে বিগত বৰ্ষৰ ছেপ্টেম্বৰত দিল্লীৰ মুখ্যমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিছিল অৰবিন্দ কেজৰিৱালে। মুখ্যমন্ত্ৰী হৈ থকাৰ সময়ত তেওঁ জেড শ্ৰেণীৰ নিৰাপত্তা লাভ কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত হত্যাৰ ভাবুকিৰ পৰিপ্ৰেক্ষিতত কেজৰিৱালৰ নিৰাপত্তা স্তৰ বৃদ্ধি কৰা হয়। বৰ্তমান কেজৰিৱালে লাভ কৰি থকা এই নিৰাপত্তা কভাৰেজত ব্যক্তিগত নিৰাপত্তা বিষয়া (পিএছঅ'), নিৰাপত্তাৰক্ষী দল, চোৰাচিতাকাৰী দল, আৰু প্ৰায় আঠজন সশস্ত্ৰ প্ৰহৰীকে ধৰি ২২ জন নিৰাপত্তাৰক্ষী জড়িত থাকিব। আনহাতে দিল্লীৰ নিৰ্বাচনত পৰাজিত হোৱাৰ পিছত শেহতীয়াকৈ কেজৰিৱালৰ পঞ্জাব ভ্ৰমণৰ সময়ত হোছিয়াৰপুৰত তেওঁৰ লগত থকা বিশাল কনভয় আৰু নিৰাপত্তাৰক্ষীক লৈ প্ৰশ্নৰ উত্থাপন কৰিছিল বিজেপি আৰু কংগ্ৰেছে। এজন সাধাৰণ নাগৰিকৰ বাবে ইমান নিৰাপত্তাৰ কিয় প্ৰয়োজন সেই প্ৰশ্ন কৰি কেজৰিৱালৰ ' ভিআইপি সংস্কৃতি'ক লৈও সৰৱ হৈ পৰিছিল কংগ্ৰেছ- বিজেপি। ৰাজ্যসভাৰ সদস্য স্বাতী মালিৱালে কেজৰিৱালৰ কনভয়ক আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ নিৰাপত্তাৰক্ষীৰ কনভয়ৰ সৈতে তুলনা কৰি সমালোচনা কৰে। কিন্তু চৰকাৰৰ নিৰাপত্তা মূল্যায়নৰ ভিত্তিত কেজৰিৱালৰ নিৰাপত্তাৰ কভাৰেজ ন্যায্য বুলি দাবী কৰি আম আদমী পাৰ্টিয়ে প্ৰত্যুত্তৰত বিজেপিয়ে ৰাজনৈতিক উদ্দেশ্যত কেজৰিৱালৰ নিৰাপত্তা প্ৰসংগ ব্যৱহাৰ কৰাৰ অভিযোগ উত্থাপন কৰে। আনহাতে হোছিয়াৰপুৰৰ এছএছপি সন্দীপ কুমাৰ মালিককেও নিশ্চিত কৰিছে যে বৰ্তমান জেড প্লাছ ছিকিউৰিটিৰ অধিকাৰী কেজৰিৱালে এই ছিকিউৰিটি কভাৰেজ লাভ কৰিব। মালিকে কয় যে গৃহ মন্ত্ৰালয়ৰ নিৰাপত্তা মূল্যায়নৰ ভিত্তিত তেওঁ জেড প্লাছ নিৰাপত্তা লাভ কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নাক কটা গ'ল আৰক্ষীৰ!

শৰ্মাকে ধৰি বিভিন্ন মন্ত্ৰী-বিধায়কে অসমত আইন-শৃংখলা উন্নত বুলি দাবী কৰি অহাৰ সময়তে খোদ ৰাজ্যৰ ৰাজধানী গুৱাহাটী মহানগৰীৰ পৰা বহিঃৰাজ্যৰ এগৰাকী ৰাইডাৰৰ বাইক চুৰি হোৱা ঘটনাই অসম আৰক্ষীৰ লগতে অসম চৰকাৰৰ নাক-কাণ কাটিছে। উত্তৰাখণ্ডৰ পৰা নাৰী সবলীকৰণ আৰু সুৰক্ষাৰ বাৰ্তা লৈ কেইবাখনো ৰাজ্যৰ মাজেৰে আহি অসমত উপস্থিত হোৱাৰ পিছতে মহিলা ৰাইডাৰৰ বাইক গুৱাহাটীত চুৰি হয়। আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে নাৰী সবলীকৰণৰ বাৰ্তা লৈ অসমলৈ অহা ননী নামৰ ৰাইডাৰগৰাকীৰ বাইকখন গুৱাহাটী মহানগৰীৰ মাজমজিয়াৰ পৰা চুৰি হয়। ৫ মাৰ্চৰ নিশা গুৱাহাটীৰ সৰুসজাই অঞ্চলৰ পৰা ৰাইডাৰ ননীৰ মটৰচাইকেলখন চুৰি হয়। গুৱাহাটীৰ সৰুসজাইৰ কালী মন্দিৰ পথৰ মণিকাঞ্চন উপপথৰ মেডি গেষ্ট হাউছত চাৰিজনীয়া দলৰ সৈতে আছিল ননী। নিশা ২.৪০ বজাত বাইকখন চুৰি হোৱাৰ তথ্য চিচি টিভিত বন্দী হৈছে। বাইক আৰোহীজনৰ প্ৰকৃত নাম নানী। উত্তৰাখণ্ডৰ বাসিন্দা নানীয়ে ছমাহ পূৰ্বৰ পৰা সমগ্ৰ দেশ ভ্ৰমণ আৰম্ভ কৰিছে। মহিলা সবলীকৰণৰ প্ৰচাৰৰ বাবে বিভিন্ন ৰাজ্যৰ ৩০ হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰি অসমলৈ আহিছে। ননীয়ে তাইৰ পোহনীয়া মেকুৰী হুকুমৰ সৈতে ৪ মাৰ্চত গুৱাহাটীত বাইক চলাই উপস্থিত হৈছিল। বাইকখন চুৰি হোৱাৰ খবৰ তেওঁৰ 'ৰাইডাৰ ননী' ফেচবুক পেজৰ পৰা দি গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। যুৱতী ৰাইডাৰগৰাকীয়ে ইতিমধ্যে বশিষ্ঠ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে। এজাহাৰ দাখিলৰ পিছতে গুৱাহাটী আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছে। ইপিনে গুৱাহাটী আৰক্ষীৰ ডিচিপি মৃণাল ডেকাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি তদন্ত চলি আছে বুলি কয়। বিষয়টো সামাজিত মাধ্যমত ব্যাপক হাৰত প্ৰচাৰ হোৱা বুলি উল্লেখ কৰি ডিচিপি ডেকাই কয় যে যিগৰাকী মহিলাই গাড়ী চুৰিৰ কথা কৈছে তেওঁ প্ৰকৃততে গাড়ীৰ মালিক নহয়। গাড়ীখন হৈছে মুহিত কুমাৰ নামৰ এজন যুৱকৰ। মুহিত মহিলাগৰাকীৰ লগত আহিছে। চুৰি হৈছিল পুৱতি নিশা ৩.৩০ বজাত। আমাক খবৰ দিয়ে ১১ বজাৰ পিছত দুপৰীয়া। ছয়-সাত ঘণ্টাৰ মূৰত খবৰটো দিয়ে। যুৱতী, গাড়ীৰ মালিকৰ সৈতে আমি যোগাযোগত আছো। তদন্ত সঠিক দিশত গৈ আছে। ভাল ফলাফল এটা পোৱা যাব। --কয় আৰক্ষী বিষয়া ডেকাই। আজি দিনত ভাগত ৰাইডাৰগৰাকীয়ে পুনৰ সংবাদ মাধ্যমৰ মুখামুখি হৈ বাইকখন চুৰি হোৱাত আক্ষেপ প্ৰকাশ কৰি কয় যে চিচি টিভি থকাৰ পিছতো আমি ইয়াত আহি পোৱাৰ ছয় ঘণ্টা পাৰ হোৱাৰ সময়তে বাইক চুৰি হয়। যুৱতীগৰাকীয়ে গুৱাহাটীত এনেদৰে চুৰি হোৱাত উদ্বেগ প্ৰকাশ কৰি ইয়াত চুৰি হোৱাটো সাধাৰণ কথা নেকি? গুৱাহাটীত এনে হৈ থাকে নে বুলি প্ৰশ্ন কৰি কয় যে এয়া চুৰি কৰাৰ উদ্দেশ্যে হয়তো কৰা নাছিল। কিয়নো চিচি টিভিত প্ৰত্যক্ষ কৰা অনুসৰি মানুহ এজনে গেটেৰে ভিতৰত সোমাইছে। তাৰ পিছত বাইকৰ লক ভাঙিছে। গেটৰ বাহিৰলৈ বাইক নি পুনৰ গেষ্ট হাউছৰ ভিতৰলৈ আহিছে। আকৌ ওলাই গৈ গাড়ী ষ্টাৰ্ট কৰি গুচি গৈছে। ৰাইডাৰ ননীয়ে সামাজিক মাধ্যমত এটা ভিডিঅ' পোষ্ট কৰি কয় যে মই বৰ্তমান গুৱাহাটী আছো। কিন্তু ইয়াৰ পৰা মোৰ বাইকখন চুৰি হৈছে। মই আঁচৰিত যে ভাৰতৰ বেছিভাগ ঠাই মই ভ্ৰমণ কৰিছো। কিন্তু অসমৰ গুৱাহাটী আহি পোৱাৰ পিছতে আমাৰ বাইক চুৰি হয়। মই উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰাত স্থানীয় লোকেও মোৰ সৈতে সংপৃক্ত হৈছিল। আমি গুৱাহাটীত প্ৰচাৰৰ সিদ্ধান্ত লৈছিলো। কালি গুৱাহাটীত উপস্থিত হৈ গেছ হাউছ লৈছিলো। নিশা প্ৰায় আঢ়ৈ বজাত আমাৰ বাইক চুৰি হয়। এই ঘটনাৰ ফলত মোৰ যাত্ৰাত প্ৰভাৱ পৰিব। টকা যোগাৰ কেনেকৈ কৰিছো সেই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, অসম আৰক্ষী আৰু গুৱাহাটী আৰক্ষীৰ পৰা সহায় ভিক্ষা মাগে। ৰাইডাৰগৰাকীয়ে এই ভিডিঅ' সামাজিক মাধ্যমত শ্বেয়াৰ কৰাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বিভিন্ন লোকে গুৱাহাটী আৰক্ষীৰ নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন কৰে। মুখ্য বিৰোধী দল কংগ্ৰেছৰ নেতা তথা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে ৩০ হাজাৰ কিলোমিটাৰ অতিক্ৰমী অহা ইউটিউবাৰ তথা মহিলাৰ গুৱাহাটীত মটৰ চাইকেল চুৰি হোৱাটো দুৰ্ভাগ্যজনক। স্মাৰ্ট আৰক্ষীৰ নামত চিচি টিভি কিনিছিল। বোমা বিস্ফোৰণৰ পৰা হাত সাৰিবলৈ চিচি টিভি কিনিছিল। চিলনী চোৰ ধৰিবলৈ চিচি টিভি কিনা বুলি কয়। দোকান-পোহাৰত চিচি টিভি লগোৱাটো বাধ্য কৰিছিল। তাৰ পিছতো গুৱাহাটীৰ পৰা এখন মটৰ চাইকেল কেনেকৈ চুৰি হ'ল সেয়া ডাঙৰ কথা। অসমৰ মান-সন্মান, প্ৰতিষ্ঠাত আঘাত জন্মাইছে। মই ঘটনাক লৈ দৃষ্টিগোচৰ কৰিছো। যাতে মটৰ চাইকেলখন সোনকালে উদ্ধাৰ কৰি দিয়ে। গুৱাহাটীত বহু কাণ্ড সংঘটিত হৈ থাকে। এই কাণ্ডৰ বাবেই হয়তো আগৰজন আৰক্ষীৰ আয়ুক্তক অপসাৰিত কৰা হ'ল নেকি বুলি প্ৰশ্ন কৰে বিৰোধী দলপিতগৰাকীয়ে। অখিল গগৈয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে এই ঘটনাই প্ৰমাণ কৰিছে যে গোটেই ভাৰতবৰ্ষৰ ভিতৰত
অসমৰ আইন-শৃংখলা অৱস্থা আটাইতকৈ বেয়া। অসমৰ মুখ্যমন্ত্ৰীয়ে ক্ষমা খোজা উচিত। মুখ্যমন্ত্ৰীয়ে কৈ থাকে যে অসমত আৰু আইন-শৃংখলাৰ সমস্যা নাই। অসম পুলিচক ভাৰতৰ ভিতৰতে স্মাৰ্ট আৰক্ষী বুলি কয়। অসমত এতিয়া প্ৰতিবাদ নহয়। আইন-শৃংখলাৰ সমস্যা নাই বুলি কয়। কিন্তু এগৰাকী সৰ্বভাৰতীয় ৰাইডাৰৰ মটৰ চাইকেলখন কেইমিনিটমান থকাৰ পিছতে চুৰি হয়। চাৰিওফালে চিচি টিভি লাগি থকাৰ পিছতো বাইখন চুৰি হোৱাৰ পিছত এটা কথা প্ৰমাণ হৈছে অসম আৰক্ষী আইন-শৃংখলা ৰক্ষাত বিফল হৈছে বুলিও কয় অখিল গগৈয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰ মাৰি ছ'ৰী ক'লে আমি মানি

ইন্টেনচন বেয়া, অশোক সিংহলৰ নিচিনা মানুহে বাৰে বাৰে অসমীয়াক অপমান কৰি থাকিব আৰু আমি সহ্য কৰিম এইটো হবই নোৱাৰে"। আজি মাজুলীৰ শ্ৰীশ্ৰী মাধৱদেৱ সাংস্কৃতিক সমাজ ৰংগমঞ্চ কাকতিবাৰীত অনুষ্ঠিত মাজুলী জিলা মহিলা কংগ্ৰেছ কমিটীৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত অংশ গ্ৰহণ কৰি অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে ভাষণত এনেদৰে কয়। অশোক সিংহলে ভাওনাক অপমান কৰা সম্পৰ্কত আৰু কয়, গুৰুজনাৰ সৃষ্টি ভাওনাৰ বিৰুদ্ধে অবাঞ্ছিত মন্তব্য কৰি আমাক আঘাত দিলে। সেই সম্পৰ্কে প্ৰদেশ কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে মাজুলীৰ পৰা ধিক্কাৰ দিয়াৰ লগতে মাজুলীৰ পৰাই মন্ত্ৰী অশোক সিংহলৰ পদত্যাগৰ দাবী জনায়। তেওঁ সত্ৰাধিকাৰসকলকো গুৰুজনাক অপমান কৰা বিষয়ত মাত মাতিবলৈ আহবান জনায়। তেওঁ আৰু কয়, এডেও দুডেও লোটা নিয়াৰ ছেও। এয়া অশোক সিংহলে কোৱা নাই। অশোক সিংহলৰ জৰিয়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কোৱাইছে বুলি মন্তব্য কৰে। লগতে কয়, পৃথিৱীৰ কোনো ব্যক্তি নাই অসমীয়া জাতিক নিঃশেষ কৰিব পাৰিব । দুৰ্ভাগ্যৰ কথা, যাক আমি দিছপুৰলৈ পঠাইছো তেওঁলোকেই হিন্দী বলয় আৰু আৰ এছ এছৰ পাল্লাত পৰি গুৰুজনাক ভূলুণ্ঠিত কৰিছে বুলি উল্লেখ কৰে। বিজেপিয়ে অসমত কৰা লুণ্ঠন সম্পৰ্কত বৰঠাকুৰে কয়, কিছুমান বেপাৰীৰ হাতত অসমখন দি লুণ্ঠন চলাবলৈ সুবিধা দিছে। মাজুলীৰ দুজনমানে কৈছে, পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছক ভোট দিবলৈ থিৰাং কৰিছে। কিন্তু ইয়াত এজন মহন্ত নামৰ ব্যক্তি আছে বুলি মীৰা বৰঠাকুৰে উল্লেখ কৰে। লগতে ছিণ্ডিকেট সম্পৰ্কত আৰু কয়, ছিণ্ডিকেটৰ লগত জড়িত লোকৰ নাম ল'বলৈ বেয়া পাওঁ। আজিও বিধায়কৰ পৰা পইচা লৈ অৰুণোদয়ৰ ফৰ্ম বিলাইছে। গাড়ীৰ পইচা মহন্ত বোলাজনে দিছে। গৰুৰ ছিণ্ডিকেট, চুপাৰিৰ ছিণ্ডিকেটৰ লগত মাজুলীৰ মহন্ত বোলাজন জড়িত বুলি উল্লেখ কৰে। এই সম্পৰ্কত আৰু কয়, তাতোতকৈ ডাঙৰ কথা মাজুলীত অবৈধ সুৰাৰ ছিণ্ডিকেট চলাই আছে এজনে। মাজুলীৰ জনৈক বৰা অবিচি মৰ্চাৰ জিলাৰ চেয়াৰমেন। বৰাই সত্ৰনগৰী মাজুলীত চলাই আছে অবৈধ সুৰা বুলি উল্লেখ কৰে। লগতে তেওঁ কয়, দুই নম্বৰী পইচা দিলে আপোনালোকে ল'ব বুলি ৰাইজক উদ্দেশ্যি কয়। কিন্তু আপোনালোকে সিদ্ধান্ত সলনি নকৰিব। ২০২৬ ত কংগ্ৰেছক দিছপুৰত বহুৱাব লাগিব বুলি উল্লেখ কৰে। অৰুণোদই আঁচনি সম্পৰ্কত তেওঁ কয়, ১২৫০ টকাৰ নামত আভুৱা-ভাঁৰিছে। লোকসভা নিৰ্বাচনৰ আগত অৰুণোদয়ৰ ফৰ্ম বিলাইছিল। কোনোবাই অৰুণোদয় পালেনে বুলি প্ৰশ্ন কৰে। ভাষণত আৰু কয়, মাজুলীলৈ আহি চামগুৰি সত্ৰলৈ গ'লো। এগৰাকী শিল্পীয়ে মুখা এটা দিলে। কি মুখা সুধিলোঁ। ক'লে এইটো ৰাক্ষসৰ মুখা। কেতিয়াবা কামত দিব। এতিয়া কিছুমান ৰাক্ষসে ৰাজত্ব চলাইছে বুলি সভাত মন্তব্য কৰে। তেওঁ আৰু কয়, দিছপুৰত জনকল্যাণমুখী চৰকাৰ নাই। মাজুলীৰ পৰাই চি এমৰ নাম দিছো, অভাৱব্ৰীজ কমিছন চি এম বুলি উল্লেখ কৰে। ভাষণত আৰু কয় যে চৰকাৰৰ বিদ্যালয়, মহাবিদ্যালয় চলাবলৈ টকা নাই, তাত কমিছন নাই। অভাৱব্ৰীজত কমিছন আছে। সেয়ে লোকনিৰ্মাণ বিভাগ তেওঁৰ হাতত ৰখা বুলি মুখ্যমন্ত্ৰীক কটাক্ষ কৰে। মুখ্যমন্ত্ৰীয়ে মাজুলীত ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে হাইৱে বনাব বুলি কৈছিল, কিন্তু নহ'ল। দলং ২০২৬ ত হ'ব বুলি ক'লে এতিয়া কাম বন্ধ। ঠিকাদাৰক টকা দিয়া নাই সেয়ে ঠিকাদাৰে কাম এৰি পলাল। অসমৰ আপদ আৰু বিপদ কোন আপোনালোকে চিনাক্ত কৰিব লাগিব বুলি কয়। গাঁৱৰ ভিতৰৰ ৰাস্তা বনালেই নহ'ব। ৰাস্তাৰ গলিয়ে-গলিয়ে মদৰ দোকান দিছে। মহিলাসকলক অৰুণোদয় দিছে। ল'ৰাবোৰ মদাহী হ'ব আৰু তেওঁ অসমখন গিলিব বুলি উল্লেখ কৰে। তেওঁ কয় যে মাজুলীৰ বিধায়কৰ মাজুলীক লৈ চিন্তা নাই, কেৱল কমিছন লৈ কমিছনৰ ভাগ মুখ্যমন্ত্ৰীক দি পুনৰ টিকট ল'ব লাগে। সন্মুখত বহুত প্ৰত্যাহ্বান। নাৰী শক্তি মহাশক্তি। গতিকে ২০২৬ ত কালীৰ ৰূপ ধৰি বিজেপিক অসমৰ পৰা উৎখাত কৰিব লাগিব বুলি কয় । বৃহত্তৰ স্বাৰ্থত সংকল্প লৈ অসমখন বচাবলৈ আহবান জনায় । পঞ্চায়ত নিৰ্বাচন সম্পৰ্ক তেওঁ কয়, পঞ্চায়ত নিৰ্বাচনত আমি জিকিমেই। লোকসভা নিৰ্বাচনত আমি ভাল ফল পাইছো। সকলোকে একত্ৰিত হৈ এটা পৰিয়ালৰ দৰে আগন্তুক দিনত দলৰ হকে কাম কৰিবলৈ আহবান জনায়। মাজুলী জিলা মহিলা কংগ্ৰেছ কমিটীৰ সভানেত্ৰী কমলা লক্ষী পগাগৰ সভাপতিত্বত দিনৰ ১২ বজাৰৰ পৰা অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে ৰেখামণি শইকীয়াই। সভাত প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, মাজুলী জিলা কংগ্ৰেছৰ সভাপতি কোযেশ্বৰ বৰাই দলৰ সাংগঠনিক দিশত বক্তব্য প্ৰদান কৰে। সভাত প্ৰদেশ মহিলা কংগ্ৰেছৰ সম্পাদিকা তথা মাজুলী মহিলা কংগ্ৰেছৰ তত্ত্বাৱধায়ক ৰিজু নেওগ, ব্লক মহিলা কংগ্ৰেছৰ সম্পাদিকা দীপা দাস, গড়মূৰ মহিলা মণ্ডল কংগ্ৰেছৰ সভানেত্ৰী হীৰামাই দাসে বক্তব্য প্ৰদান কৰে। সভাত মাজুলী ব্লক কংগ্ৰেছৰ সভাপতি লক্ষ্য গায়ন, উজনি ব্লক কংগ্ৰেছৰ সভাপতি মহেন্দ্ৰ শইকীয়া, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক বিষ্ণুকমল পায়েং, জিলা কংগ্ৰেছৰ উপ-সভাপতি জীৱন দলে, জিলা কংগ্ৰেছৰ সম্পাদক দেৱকান্ত দাস, সাংগঠনিক সম্পাদক দীনমণি দত্ত, ব্লক কংগ্ৰেছৰ উপ-সভাপতি পুলিন বৰা, পীতাম্বৰ পেগু, সুভাষ পাটিৰ, পৰশমণি দাস, জিলা মেডিয়া চেলৰ অধ্যক্ষ প্ৰণৱজ্যোতি বাৰিক প্ৰমুখ্যে মহিলা কংগ্ৰেছৰ বিষয়ববীয়া আৰু কৰ্মীসকল উপস্থিত থাকে। অশোক সিংহলৰ প্ৰতিকৃিত দাহ ভাওনাক লৈ অশোভনীয় মন্তব্য কৰা মন্ত্ৰী অশোক সিংহলৰ বিৰুদ্ধে জাঙুৰ খাই উঠিল মাজুলী জিলা কংগ্ৰেছ। আজি মাজুলী জিলা কংগ্ৰেছে অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীৰ উপস্থিতিত মাজুলীৰ কাকতিবাৰী চাৰিআলিত মন্ত্ৰী অশোক সিংহলৰ প্ৰতিকৃতি দাহ কৰি হায় হায় আদি ধ্বনি দি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাৰ ভিতৰে-বাহিৰে

কৰি ক্ষোভ প্ৰকাশ ৰাইজৰ দলৰ বিধায়কজনৰ। কেৱল বিধানসভাতেই নহয়, সামাজিক আৰু ৰাজনৈতিক জীৱনতো অকলশৰীয়া অনুভৱ কৰিছে নেতাগৰাকীয়ে। ইয়াৰ পূৰ্বেও বিধায়কগৰাকীয়ে ৰাজহুৱাকৈয়ে তেওঁৰ সংসদীয় জীৱনৰ তিক্ত অভিজ্ঞতাৰ কথা উল্লেখ কৰিছে। কোনোবাদিনা হঠাতে তেওঁ বিধায়ক পদৰ পৰা পদত্যাগ কৰিব বুলিও ৰাজহুৱাকৈ উল্লেখ কৰি থৈছে। অখিল গগৈৰ মতে, তেওঁ সংসদীয় ৰাজনীতিৰ বাবে উপযুক্ত নহয়। এই মন্তব্যৰ বছৰচেৰেক নহওঁতেই এইবাৰ ৰাজনৈতিক জীৱনত অকলশৰীয়া বুলি উল্লেখ কৰি পুনৰ খেদ প্ৰকাশ কৰিছে। তেওঁ ফেছবুকত লিখিছে, বিধান সভাত মই বৰ অকলশৰীয়া। আজি অসম বিধান সভাত চৰকাৰে কেইখনমান বিধেয়ক উত্থাপন কৰিছিল। মিচিং, তিৱা, ৰাভা, দেউৰী, ঠেঙাল কছাৰী, সোণোৱাল কছাৰী, বড়ো কছাৰী স্বায়ত্ত শাসিত পৰিষদসমূহৰ নিৰ্বাচন অনিৰ্দ্দিষ্ট কাললৈ স্থগিত ৰাখি কাউন্সিলবোৰৰ ক্ষমতা ৰাজ্যপালৰ দ্বাৰা চৰকাৰৰ হাতলৈ অনাৰ প্ৰস্তাৱ দিছে। আমি কৈছিলো, বিশেষ পৰিস্থিতিত এনেদৰে নিৰ্বাচন পিছুৱালেও তাৰো এটা নিৰ্দিষ্ট সীমা থকা দৰকাৰ (আমি ৬ মাহ বুলি সংশোধন আনিছিলো)। কাৰণ আইন অনুসৰি নিৰ্বাচিত কাউন্সিলখনৰ কাৰ্যকাল ১ বছৰ বৃদ্ধি কৰিবই পাৰি। গতিকে প্ৰস্তাৱিত চৰকাৰলৈ ক্ষমতা প্ৰদান অতিৰিক্ত সময়হে। যদি চৰকাৰক এই ক্ষমতা অনিৰ্দ্দিষ্ট কাললৈ দিয়া হয় তেন্তে জনজাতিসকলৰ স্বশাসনৰ অৰ্থ নাথাকিব। ক্ষমতা বিকেন্দ্ৰীকৰণ অথবা ফেডাৰেল ব্যৱস্থা অৰ্থহীন হ'ব। মই শেষলৈকে মোৰ স্থিতিত আপোচহীন হৈ থাকিলো আৰু ভোটিং দাবী কৰিলো। মোক কোনেও সমৰ্থন নিদিলে আৰু শাসক দলৰ একাংশ বিধায়কে ভাল টিটকাৰি মাৰিলে। মই এই জনজাতিসমূহৰ স্বায়ত্ত শাসন সংবিধানসন্মত হ'ব লাগে বুলি দাবী কৰিলো আৰু ৬ জনগোষ্ঠীৰ লগতে নাথ-যোগী আৰু কলিতাসকলক জনজাতিৰ মৰ্যাদা দি অসমৰ জনজাতি ৰাজ্য ঘোষণা কৰাৰ লগতে সংবিধানৰ ৩৭১ক অনুচ্ছেদ অনুসৰি অসমৰ বিশেষ ৰাজ্য দাবী কৰিলো। দ্বিতীয়খন বিল আহিছিল পৌৰসভাৰ কৰ্মচাৰীসকলৰ চাকৰি প্ৰাদেশীকৰণ সম্পৰ্কত। কি অদ্ভুত বিধেয়ক! প্ৰাদেশীকৰণৰ পাছত কৰ্মচাৰীৰ দৰমহা আধা মানলৈ কমিব, পেন্সনো NPS অনুসৰিহে পাব, অৱসৰৰ পাছত পদসমূহো বিলোপ কৰি দিয়া হ'ব। ইয়াতো অকলে অকলে ভোটৰ দাবী কৰিলো। হাৰিলো। চৰকাৰী পক্ষৰ তাচ্ছিল্যত মন বেয়া কৰি অকলে অকলে ওলাই আহিলো। বিধান সভাত মই বৰ অকলশৰীয়া। বোধহয় সামাজিক-ৰাজনৈতিক জীৱনতো!

# বুদ্ধিজীৱিৰ গাত ৰং সানিলে অখিলে

■ প্ৰথম পৃষ্ঠাৰ পৰা...

হোৱা নাই অভিভাৱকৰ কথা। বৃহস্পতিবাৰে এই কথা স্পষ্ট হ'ল অখিল গগৈৰ মন্তব্যৰ পৰা। শেহতীয়াকৈ নাগৰিক সমাজে সোণাপুৰৰ আতিথ্য ৰিজ'ৰ্টত আয়োজন কৰিছিল বিৰোধী ৰাজনৈতিক দলসমূহৰ মাজত এখন বৈঠকৰ। উদ্দেশ্য আছিল '২৬ৰ নিৰ্বাচনৰ পূৰ্বে বিৰোধীৰ মাজৰ মিত্ৰতা নিকপকপীয়া কৰা। কিন্তু মিত্ৰতাৰ বৈঠকত সৃষ্টি হ'ল অনাহূত পৰিস্থিতি। অখিল গগৈয়ে কংগ্ৰেছৰ সমালোচনা কৰাৰ বাবেই সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে আধাতে বৈঠক এৰি গুছি আহিছিল বুলি চৰ্চা চলিছিল। ইয়াৰ পাছতেই সামাজিক মাধ্যমত ৰাইজৰ দল আৰু কংগ্ৰেছৰ নেতা-কৰ্মীয়ে পৰস্পৰে পৰস্পৰক সমালোচনা কৰাও দৃষ্টিগোচৰ হৈছিল। তাৰ পাছতে নাগৰিক সমাজৰ আহ্বানত দুই দলে বিৰোধী ঐক্য সন্দৰ্ভত কোনো মন্তব্য নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ পাছতেই বিশিষ্ট বুদ্ধিজীৱি ড০ হীৰেন গোহাঁয়ে অখিলৰ গতিবিধি বুজি নাপাওঁ বুলি মন্তব্য প্ৰদান কৰে। ড০ গোহাঁয়ে কয়, 'অখিল গগৈৰ গতি-বিধি আমি বুজি নাপাওঁ। তেওঁৰ দলৰ সিদ্ধান্তৰ বিষয়ে আমি কোনো ফুত নাপাওঁ। কি ভাবি কেতিয়া তেওঁ কি কৰে ধৰা নাযায়। সেইটোৱে সমস্যাৰ সৃষ্টি কৰে। তেওঁ এতিয়া বিজেপি-কংগ্ৰেছৰ পৰা সমদূৰত্বত থকাৰ দৰে কৰি আছে। সেইটো নিৰ্বাচনী কচৰৎ হয় নে নহয় তেওঁ বিবেচনা কৰা ভাল হ'ব।' হীৰেন গোহাঁইৰ এই মন্তব্য যেন হজম নহ'ল অখিল গগৈৰ। সেয়ে তেওঁ বিধানসভা প্ৰাংগনত সাংবাদিকৰ সন্মুখতেই ড০ গোহাঁইক কংগ্ৰেছী ৰং সানিবলৈ তৎপৰ হৈ পৰিল। মন কৰিবলগীয়া যে, এই প্ৰচেষ্টা ইমানদিনে কৰি আহিছিল বিজেপিয়ে। ড০ গোহাঁইৰ গাত কংগ্ৰেছৰ ৰহন সানিবলৈ চেষ্টা কৰিও বিফল হৈ পৰা বিজেপিৰ এই কাম এইবাৰ অখিল গগৈয়ে কৰি পেলালে বুলি সৰ্বত্ৰ চৰ্চা চলা দেখিবলৈ পোৱা গৈছে। আনফালে সংবাদ মাধ্যমৰ সন্মুখতেই মন্তব্য ৰাখি ক্ষান্ত নাথাকিল অখিল গগৈ। এইবাৰ তেওঁ ফেছবুকত ড০ গোহাঁইক উদ্দেশ্যি লিখিলে - বুদ্ধিজীৱি নিৰপেক্ষ হ'ব লাগে। কিন্তু কিছুমান কংগ্ৰেছপন্থী। দুৰ্ভাগ্য। মন কৰিবলগীয়া কথাটো হ'ল অখিল গগৈৰ এই ফেছবুক পোষ্টৰ পাছতেই সামাজিক মাধ্যমতেই কটু সমালোচনাৰ সন্মুখীন হ'ল। আনকি ৰাইজৰ দলৰ একাংশ সমৰ্থকেও অখিল গগৈৰ এনে কাণ্ডৰ বাবে সমালোচনা কৰিলে। ইয়াৰ পাছতেই লাহে লাহে সুৰ সলনি কৰিলে অখিল গগৈয়ে। এইবাৰ তেওঁ পোষ্টটো সলাই লিখিলে, বুদ্ধিজীৱি নিৰপেক্ষ হ'ব লাগে। কিন্তু কিছুমান বিজেপিপন্থী, একাংশ কংগ্ৰেছপন্থী। দুৰ্ভাগ্য। ইয়াৰ পাছতো অখিল গগৈক উদ্দেশ্যি সমালোচনাৰ বৰষুণ শেষ নোহোৱাত লিখিলে, বুদ্ধিজীৱি নিৰপেক্ষ হ'ব লাগে। নহ'লে ফলাফল শূণ্য। অখিল গগৈৰ এনে সমালোচনাৰ পাছত স্বাভাৱিকতে বহি নাথাকিল বিজেপিৰ একাংশ নেতাও। মানৰ ডেকাৰ দৰে নেতাই এই আপাহাতে কৈয়েই পেলালে এনে মানুহ ভাৰত বিৰোধী বুলি। অৰ্থাৎ অৱশেষত এনেকৈয়ে ড০ গোহাঁইক লৈ অখিল গগৈ আৰু বিজেপিৰ ভাষ্য একেটা বিন্দুতেই বিলীন হ'ল।

# টেট শিক্ষকৰ চচলত প্ৰতিবাদ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

কল্যাণ সন্থাৰ আহ্বানত ৰাজ্যজুৰি আজি তৃতীয় দিনাও কেইবা হাজাৰ স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ অব্যাহত আছে। আজি তৃতীয় দিনাও ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অন্তৰ্গত চিকিৎসক, নাৰ্চ, ফাৰ্মাচিষ্ট, মিছন সমন্বয়ক, এনএনএম, জিএনএম, কমিউনিটি হেলথ অফিচাৰ, ফাৰ্মাচিষ্ট, লেবৰটৰি টেকনিচিয়ান, গাণনিক, বিপিএম, বিচিএম কৰ্মচাৰীয়ে কৰ্মবিৰতি পালন কৰে। ৬ মাৰ্চলৈ ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে অধিকাৰ বিচাৰি ৰাজপথত গণতান্ত্ৰিক সংগ্ৰামৰ ঘোষণা কৰিছিল। সেই মতে, আজি তৃতীয়টো দিনাও প্ৰতিবাদ সাব্যস্ত কৰে প্ৰায় ২৪ হাজাৰ কৰ্মচাৰীয়ে। প্ৰতিখন জিলাৰ সদৰ, মহকুমা সদৰ, সম-জিলাৰ সদৰ, চক্ৰ বিষয়াৰ কাৰ্যালয়ত কমেও এনএইচএম ঠিকাভিত্তিক স্বাস্থ্য কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। ঠিকাভিত্তিক কৰ্মচাৰীয়ে সম-কামৰ বাবে সম-দৰমহা, পেন্সনৰ লগতে অন্যান্য সুবিধা দাবী কৰে। চৰকাৰক বাৰে বাৰে মৰ্যাদাসহকাৰে জীয়াই থাকিব পৰাকৈ চাকৰিৰ সুৰক্ষা দাবী কৰিছিল যদিও চৰকাৰে গুৰুত্ব প্ৰদান নকৰিলে। চাকৰি নিয়মীয়া কৰি পেন্সন ব্যৱস্থা বাহাল, দৰমহা বৃদ্ধি, মৃত কৰ্মচাৰীৰ পৰিয়ালক ২৫ লাখ টকাৰ আৰ্থিক সাহায্য, ভ্ৰমণ বানচ, দৈনিক ভাত্তা, বিনামূলীয়া চিকিৎসা সেৱা, ৰাজ্য চৰকাৰৰ অন্যান্য কৰ্মচাৰীৰ সমহাৰত ভাত্তা প্ৰদানৰ দাবীত শ্ল'গান দি মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে যদিও ৰাজ্যৰ তিনিটাকৈ দিনে স্বাস্থ্যকৰ্মীৰ সৈতে আলোচনা নকৰিলে চৰকাৰে। তেনেকৈয়ে প্ৰতিবাদৰ সামৰণি মাৰে কৰ্মচাৰীসকলে। কিন্তু পুনৰ দীঘলীয়া আন্দোলনৰ হুংকাৰ প্ৰদান কৰিছে কৰ্মচাৰীসকলে। আজিও বাজেট অধিবেশন উপলক্ষে চচলৰ ধৰ্ণাস্থলীত কেইবাটাও দল-সংগঠনে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ শিক্ষকে দিনৰ ১১ বজাৰ পৰা ২ ঘণ্টীয়া প্ৰতিবাদ সাব্যস্ত কৰে। ধৰ্ণাস্থলীৰ পৰাই মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। কেইবাটাও দাবীৰ সমৰ্থনত শিক্ষক সমাজে প্ৰতিবাদ সাব্যস্ত কৰে। চচলৰ ধৰ্ণাস্থলীত পুৱাই একত্ৰিত হয় কেইবা শ শিক্ষক। বিনাচৰ্তে বেতন সুৰক্ষাৰ লগতে চাকৰি নিয়মীয়াকৰণৰ দাবী জনায়। সদৌ অসম প্ৰাথমিক টেট উত্তীৰ্ণ সমাজে কয় যে চৰকাৰে বাৰে বাৰে আলোচনা কৰিবলৈ মাতিছে যদিও কামত অহা নাই। চৰকাৰৰ সদিচ্ছা নাই। টেট শিক্ষকসকলক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰম বিশ্বাসঘাতকতা কৰিছে বুলি গুৰুতৰ অভিযোগ আনে। টেট শিক্ষকে কয় যে আমাৰ প্ৰতি অন্যায় কৰা হৈছে। চাকৰি কৰাৰ ১০-১২ বছৰৰ পিছত হিমন্ত বিশ্ব শৰ্মাৰ চল-চাতুৰিত বন্দী হৈ নিয়মীয়াকৰণৰ নামত টেট শিক্ষকসকলে মাহিলি দৰমহাৰ পৰা ১০-১৫ হাজাৰ টকা হেৰুৱাব লগা হৈছে। বেতন সুৰক্ষাসহ চাকৰি নিয়মীয়াকৰণ নকৰিলে টেট শিক্ষকৰ প্ৰতিবাদ অব্যাহত থাকিব বুলি ঘোষণা কৰে। অল আছাম পলিটেকনিক ফাউণ্ডাৰ ফেকাল্টী এছোচিয়েচনেও আজি চচলত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শতাধিক ফেকাল্টীয়ে চৰকাৰ বিৰোধী শ্ল'গান দি তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। বিভিন্ন শ্ল'গান প্ৰদান কৰি ফাউণ্ডাৰ ফেকাল্টীসকলে কয় যে আমাৰ দাবী চৰকাৰে মানি ল'ব লাগিব। ফেকাল্টীসকলে কয় যে যেতিয়া ২০১৭ চনত পলিটেকনিক প্ৰতিষ্ঠা হৈছিল তেতিয়া আমি ফাউণ্ডাৰ ফেকাল্টী আছিলো। চৰকাৰে আমাক লৈছিল। কিন্তু চৰকাৰে আমাৰ চাকৰি নিয়মীয়াকৰণ কৰা নাই। দৰমহা কেইটা পাবলৈ আমি বৈ থাকিব লাগে। আমি আমাৰ কাম কৰি গৈছো কিন্তু আমাৰ চৰকাৰে অন্যায় কৰিছে। ফাউণ্ডাৰ ফেকাল্টীসকলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। সদৌ অসম কৃত্ৰিম প্ৰজনন কৰ্মীয়েও প্ৰতিবাদ সাব্যস্ত কৰে। কেইবা শ গোপাল মিত্ৰ আৰু মৈত্ৰীয়ে চচলত ধৰ্ণা মাহিলী দৰমহা দিয়াৰ ব্যৱস্থা কৰাৰ দাবী জনায়। গোপাল মিত্ৰ আৰু মৈত্ৰীসকলে আক্ষেপ কৰি কয় যে আমি ২০০২৫ চনৰ পৰা কৰ্মৰত যদিও আমাৰ মাহিলি দৰমহা দিয়াৰ ব্যৱস্থা নকৰাত আমাৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। কিন্তু সৌ-সিদিনা চৰকাৰে নিযুক্তি দিয়া চুপাৰভাইজাৰক ২৮,৩০০ টকা আৰু পশুসখীক ৭৫০০ টকা দৰমহা দিয়ে। কিন্তু গোপাল মিত্ৰ আৰু মৈত্ৰীক এটা টকা দিয়াৰ ব্যৱস্থা নাই। গোপাল মিত্ৰ আৰু মৈত্ৰীসকলে কয় যে কৃত্ৰিম প্ৰজনন, বানৰ সময়ত কাম, টিকাকৰণ, বন্ধ্যাকৰণ আদি কৰিও চৰকাৰে দৰমহা দিয়াৰ ব্যৱস্থা নকৰিলে। যাৰ বাবে আমাৰ পৰিয়ালৰ নিৰাপত্তা নাই। চাকৰি নিয়মীয়াকৰণ, উপযুক্ত দৰমহা প্ৰদান, ইতিমধ্যে মৃত্যু হোৱাসকলক এককালীন সাহায্য দিয়াৰ দাবী জনাইছে সদৌ অসম কৃত্ৰিম প্ৰজনন কৰ্মীসকলে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

### ইউৰোপৰ দেশমূহত বৃদ্ধি পাব নাস্তিকৰ সংখ্যা, পিউ ৰিছাৰ্চৰ দাবী

# ২০৫০ চনত বিশ্বৰ সৰ্বাধিক মুছলমান জনসংখ্যাৰ দেশ হৈ পৰিব ভাৰত

**নতুন দিল্লী, ৬ মাৰ্চঃ** অহা ২৫ বছৰত ভাৰতত অভূতপূৰ্বভাৱে বৃদ্ধি পাব মুছলমান জনসংখ্যা। ২০৫০ চনৰ ভিতৰত ইণ্ডোনেছিয়াক অতিক্ৰম কৰি বিশ্বৰ সৰ্বাধিক মুছলমান জনসংখ্যা থকা দেশ হিচাপে পৰিগণিত হ'ব ভাৰত। এনে চাঞ্চল্যকৰ তথ্য শেহতীয়াকৈ প্ৰকাশ পাইছে এক গৱেষণাত। অৱশ্যে কেৱল মুছলমান জনসংখ্যাই নহয়, আগন্তুক ২৫ বছৰত ভাৰতত বৃদ্ধি পাব হিন্দু জনসংখ্যাও। আনহাতে, এই অধ্যয়নত দাবী কৰা অনুসৰি, এই সময়ছোৱাত বিশ্বজুৰি বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ সংখ্যা প্ৰায় অপৰিৱৰ্তিত হৈ থাকিব। গৱেষণাৰ মতে বৰ্তমান বিশ্বৰ দুটা বৃহৎ ধৰ্ম হৈছে খ্ৰীষ্টান আৰু ইছলাম। ইউৰোপ আৰু আমেৰিকাত খ্ৰীষ্টানসকলৰ সংখ্যাগৰিষ্ঠ হোৱাৰ বিপৰীতে এছিয়া আৰু আফ্ৰিকাৰ বিশাল অঞ্চলত মুছলমানসকলে আধিপত্য বিস্তাৰ কৰিছে। ভাৰতৰ দৰে বৃহৎ দেশত হিন্দু সংখ্যাগৰিষ্ঠ হোৱাৰ লগতে চুবুৰীয়া নেপালতো সনাতন ধৰ্ম অনুগামীৰ প্ৰাধান্য আছে। আনহাতে ভাৰতৰ বাহিৰে পৃথিৱীৰ আন দেশত হিন্দুৰ সংখ্যা তুলনামূলকভাৱে কম। উল্লেখ্য যে, এই গৱেষণা প্ৰতিবেদন প্ৰকাশ কৰিছে পিউ ৰিচাৰ্চ চেন্টাৰে। গৱেষণাৰ প্ৰতিবেদন অনুসৰি ২০৫০ চনৰ ভিতৰত সমগ্ৰ বিশ্বৰ ধৰ্মীয় জনসংখ্যাৰ ঘনত্বৰ বৃহৎ পৰিৱৰ্তন হ'ব। জন্মৰ হাৰ আৰু যুৱ জনসংখ্যাৰ ধৰ্মীয় সংযোগৰ ওপৰত ভিত্তি কৰি অনাগত দশকবোৰত জনগাঁথনি সলনি হ'ব বুলিও দাবী কৰা হৈছে। আগন্তুক আঠৈটা দশকত বিশেষকৈ মুছলমানৰ সংখ্যা খ্ৰীষ্টানৰ সমান হ'ব বুলিও গৱেষণাত উল্লেখ কৰা হৈছে। পিউ ৰিচাৰ্চ চেন্টাৰৰ গৱেষণাৰ মতে ইউৰোপৰ মুছলমান জনসংখ্যা বৰ্তমানৰ তুলনাত ১০ শতাংশ বৃদ্ধি পাব। ইয়াৰ উপৰিও আমেৰিকা, ফ্ৰান্সৰ দৰে দেশত নাস্তিকৰ সংখ্যা বৃদ্ধি পাব, যাৰ ফলত তাত খ্ৰীষ্টান জনসংখ্যা হ্ৰাস পাব। ২০৫০ চনৰ ভিতৰত ইহুদী ধৰ্মই আমেৰিকাৰ দ্বিতীয় বৃহত্তম ধৰ্মৰ মৰ্যাদা হেৰুওৱাৰ বিপৰীতে আন ধৰ্মৰ লোকৰ সংখ্যা বৃদ্ধি পাব। প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে বিশ্বৰ ভিতৰতে সৰ্বাধিক মুছলমান জনসংখ্যা থকা দেশ হিচাপে ভাৰতৰ উত্থানৰ সমান্তৰালকৈ দেশত হিন্দুৰ সংখ্যাও বৃদ্ধি পাব। অৱশ্যে বিশ্বজুৰি বৌদ্ধ ধৰ্মাৱলম্বী লোকৰ সংখ্যা অপৰিৱৰ্তিত হৈ থাকিব। বিশেষজ্ঞসকলৰ মতে ধৰ্মীয় সংখ্যা বিজ্ঞানৰ এই পৰিৱৰ্তনে অনাগত দশকবোৰত ৰাজনৈতিক আৰু সামাজিক পৰিৱেশত ডাঙৰ প্ৰভাৱ পেলাব পাৰে।

---

# দীৰ্ঘদিন ধৰি ধৰাৰৈ নমা নাই বৰষুণ! গভীৰ সমস্যাৰ সন্মুখীন নগাঁৱৰ কৃষক, মৎস্যজীৱী

**ই-সংবাদ, বেবেজীয়া, ৬ মাৰ্চঃ** দীৰ্ঘদিন ধৰি পৰ্যাপ্ত পৰিমাণে বৰষুণ নোহোৱাত ৰাজ্যৰ অন্যান্য প্ৰান্তৰ দৰে নগাঁও জিলাৰ সৰ্বস্তৰৰ লোকৰ মাজতো অনাহুত পৰিস্থিতিৰ সৃষ্টি হৈছে। বহু আশাৰে বাট চাই থকাৰ পিছতো ধৰাৰৈ এজাক বৰষুণ নামি নহাত চৌপাশ ধূলিৰে ধূসৰিত হৈ পৰিছে। ফলত শিশুৰপৰা যুৱক-যুৱতী কিম্বা বৃদ্ধসকলৰো শৰীৰ নানা প্ৰকাৰৰ বেমাৰ-আজাৰে আগুৰি ধৰাৰ বিপৰীতে বৰষুণৰ অভাৱে মানৱ সমাজলৈ যেন অশনি সংকেত কঢ়িয়াই আনিছে। তদুপৰি ভূতৰ ওপৰত দানহ পৰাদি গঞা ৰাইজৰ পোহনীয়া গৰু, ছাগলী, ম'হ, হাঁহ, কুকুৰা আদিকো নানা বেমাৰে আক্ৰমণ কৰাত কৃষিজীৱী দৰিদ্ৰ লোকসকল চৰম দুঃশ্চিন্তাত পৰিছে। এক কথাত বৰ্তমান সময়ত এজাক মুষলধাৰ বৰষুণ নোহোৱাৰ বাবেই জীৱকুল একপ্ৰকাৰ গভীৰ সমস্যাৰ গৰাহত পৰিছে। ইফালে, কৃষি পথাৰত নতুনকৈ ঘাঁহ-বন গজি নুঠাৰ বিপৰীতে থকাবোৰো বৰষুণৰ অভাৱত শুকাই যাবলৈ ধৰাত পোহনীয়া জীৱ-জন্তুবোৰ খাদ্য সংকটৰ সন্মুখীন হ'বলগীয়াত পৰিছে। উল্লেখ্য যে বিগত বৰ্ষতো প্ৰতিকূল বতৰে অধিকাংশ নগঞা জনতাক সুকলমে কৃষিকৰ্ম সম্পাদন কৰাত বাধা জন্মোৱাৰ পিছত বৰ্তমান সেই কথা মনৰপৰা আঁতৰাই বড়োধানৰ খেতিৰ লগতে বিভিন্ন প্ৰকাৰৰ শাক-পাচলিৰ খেতিত মনোনিৱেশ কৰিছে যদিও পৰ্যাপ্ত বৰষুণৰ অভাৱত এইবোৰ ঠন ধৰি উঠাত হেঙাৰ হৈ ঠিয় দিছে। আনকি বহু উদ্যমী কৃষকে বেংকৰ পৰা কিম্বা আন উপায়েৰে বিভিন্ন উৎসৰপৰা ঋণ লৈ কৰা এই খেতিবোৰ পানীৰ অভাৱত নষ্ট হোৱাৰ উপক্ৰম ঘটাত মূৰে-কপালে হাত দিছে এইসকল দৰিদ্ৰ কৃষকে। তদুপৰি মৎস্যজীৱী লোকসকলেও বৰষুণৰ প্ৰতীক্ষাত চিন্তান্বিত হৈ পৰি ডবাপিটা এজাক বৰষুণৰ কামনা কৰিছে।

---

# মুকেশ আম্বানিৰ ৰিলায়েন্স কোম্পানীক ২৪,৫০০ কোটি টকা বিচাৰি জাননী কেন্দ্ৰ চৰকাৰৰ

**নতুন দিল্লী, ৬ মাৰ্চঃ** মুকেশ আম্বানীৰ নেতৃত্বাধীন ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰিজ লিমিটেড আৰু কনচৰ্টিয়াম অংশীদাৰসকলৰ বিৰুদ্ধে ২.৮১ বিলিয়ন ডলাৰ (প্ৰায় ২৪,৫০০ কোটি টকা)ৰ দাবী জনাইছে ভাৰতৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰণালয়ে। দিল্লী উচ্চ ন্যায়ালয়ৰ ডিভিজন বেঞ্চৰ এক সাম্প্ৰতিক ৰায়ৰ পিছত এই জাননী প্ৰেৰণ কৰা হৈছে। এই ৰায়ে অ'এনজিচিৰ গেছ ব্লকৰ পৰা প্ৰাকৃতিক গেছ স্থানান্তৰণৰ সৈতে জড়িত দীৰ্ঘদিনীয়া আইনী বিবাদত এক নতুন মোৰ সৃষ্টি কৰিছে। উল্লেখ্য যে, অ'এনজিচি আৰু ৰিলায়েঞ্চৰ মাজৰ এই বিবাদ বহুদিনৰ পৰাই চলি আহিছে। ইয়াৰ পূৰ্বে অভিযোগ উঠিছিল যে ৰাষ্ট্ৰীয় মালিকানাধীন সংস্থা অ'এনজিচিৰ গেছ ব্লকৰ পৰা উৎপাদিত গেছ ৰিলায়েন্সৰ দ্বাৰা পৰিচালিত কাষৰ এটা ব্লকলৈ স্থানান্তৰিত হৈছিল। ২০১৮ চনত এটা আন্তৰ্জাতিক সালিসি ট্ৰাইবিউনালে ৰিলায়েঞ্চ আৰু ইয়াৰ অংশীদাৰসকলৰ সপক্ষে ৰায় দিয়ে আৰু কয় যে গেছ স্থানান্তৰণৰ বাবে তেওঁলোক কোনো দায়ী নহয়। ফলত ট্ৰাইবিউনালে ৰিলায়েঞ্চক ১.৫৫ বিলিয়ন প্ৰদান কৰে। অৱশ্যে, দিল্লী উচ্চ ন্যায়ালয়ৰ ডিভিজন বেঞ্চে সম্প্ৰতি একক বেঞ্চৰ ৰায় বাতিল কৰে। ১৪ ফেব্ৰুৱাৰীৰ এই ৰায়ৰ পিছত চৰকাৰে নতুন দাবী উত্থাপন কৰে। চৰকাৰে কয় যে স্থানান্তৰিত প্ৰাকৃতিক গেছৰ উৎপাদন আৰু বিক্ৰীৰ জৰিয়তে হোৱা লাভৰ হিচাপ দিব লাগিব। বিশ্লেষকসকলৰ মতে, এই আইনী বিবাদে এক নতুন মাত্ৰা লাভ কৰিছে। অ'এনজিচি আৰু ৰিলায়েন্সৰ মাজৰ এই বিবাদে ভাৰতৰ শক্তি খণ্ডত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব বুলি আশংকা কৰা হৈছে।

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, আমগুৰি, ৬ মাৰ্চঃ** ভাৰত চৰকাৰৰ যুৱ কল্যাণ ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত সমগ্ৰ ভাৰতবৰ্ষতে ১৮ ৰ পৰা ২৫ বছৰৰ যুৱক-যুৱতীসকলৰ মাজত যুৱ সংসদ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই সন্দৰ্ভত আজি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ সভাকক্ষতত ৰাষ্ট্ৰীয় সেৱা আঁচনি গোট, নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয় আৰু শিৱসাগৰৰ নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত সংবাদমেলৰ আয়োজন কৰে। উক্ত সংবাদমেলত নেহৰু যুৱ কেন্দ্ৰৰ শিৱসাগৰ জিলা যুৱ বিষয়া পাপাই দাস, কাৰ্যক্ৰম বিষয়া, ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ ড০ পাপু কুমাৰ ঙাটে আৰু নেহৰু যুৱ কেন্দ্ৰ গাণনিক বিষয়া ৰামেন্দ্ৰ ভট্টাচাৰ্যই জনোৱা মতে, ভাৰতৰ ৩০০ খন জিলাক ন'ডেল জিলা হিচাপে নিৰ্বাচিত কৰি উক্ত প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সমান্তৰালভাৱে এই প্ৰতিযোগিতাত শিৱসাগৰ জিলাক ন'ডেল জিলা হিচাপে নিৰ্বাচিত কৰি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত জিলা পৰ্যায়ৰ যুৱ সংসদ প্ৰতিযোগিতাৰ অনুষ্ঠিত হ'ব। উক্ত প্ৰতিযোগিতাৰ বাবে শিৱসাগৰ জিলাৰ প্ৰতিযোগীয়ে 'মাই ভাৰত' পৰ্টেলৰ জৰিয়তে ৯ মাৰ্চৰ ভিতৰত পঞ্জীয়ন কৰিব লাগিব। উক্ত পঞ্জীয়নৰ বাবে বিকশিত ভাৰতৰ বিষয়ৰ ওপৰত এক মিনিটৰ ভিডিঅ' প্ৰস্তুত কৰি আপলোড কৰিব লাগিব। সেই প্ৰতিযোগীসকলৰ মাজৰ পৰা মূল পৰ্যায়লৈ ১৫০ গৰাকী প্ৰতিযোগীক যুৱ সংসদ প্ৰতিযোগিতালৈ নিৰ্বাচিত কৰি জিলা পৰ্যায়ৰ পৰা ১০ জন প্ৰতিযোগীক ৰাজ্যিক পৰ্যায়লৈ নিৰ্বাচিত কৰা হ'ব। তদুপৰি সংবাদ মেলখনত জনোৱা মতে, জিলা পৰ্যায়ৰ বিষয়ঃ এক দেশ এক নিৰ্বাচন- এই উদ্দেশ্যে অলপতে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ধ্ৰুৱজ্যোতি নাথক সভাপতি, জিলা যুৱ বিষয়া পাপাই দাসক সম্পাদক হিচাপে নিৰ্বাচিত কৰি ১০ জনীয়া এখন কমিটী গঠন কৰে। প্ৰতিযোগিতাৰ বাবে অধিক তথ্য জানিবলৈ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাৰ্যক্ৰম বিষয়া ড০ পাপু কুমাৰ ঙাটেৰ লগত অথবা ৮৬৩৮৬৮৮১৯৩ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।



ঢেকীয়াজুলিত ভাওনাক অপমান কৰা মন্ত্ৰী অশোক সিংঘলৰ বিৰুদ্ধে প্ৰতিবাদ

## ভূমিহীন হব ভূমিপুত্ৰ! ব্যাপক হাৰত চলা ভূমি খননক লৈ তীব্ৰ প্ৰতিক্ৰিয়া

# সিন্দুৰাইত বন বিভাগৰ সহযোগত কৃষি ভূমি খনন

**ই-সংবাদ, গোলকগঞ্জ, ৬ মাৰ্চঃ** ধুবুৰী বন সংমণ্ডলৰ অধীনৰ ছাগলীয়া বন বিভাগৰ ছত্ৰছায়াত মাটিৰ ছিণ্ডিকেট চক্ৰই ইটা ভাটাত কৃষিভূমিৰ মাটি যোগান ধৰা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অভিযোগ মতে, সিন্দুৰাই অঞ্চলত প্ৰশাসনৰ জ্ঞাতসাৰে কাঠফুলাৰ দৰে গজি উঠিছে ইটা ভাটা। ভাটাসমূহত ইটা তৈয়াৰ কৰিবলৈ ব্যাপক হাৰত মাটিৰ প্ৰয়োজন। ইয়াৰ সুযোগ গ্ৰহণ কৰিছে মাটিৰ ছিণ্ডিকেট চক্ৰই। মাটিৰ কোনো ধৰণৰ বিভাগীয় কৰ পৰিশোধ নকৰি চক্ৰটোৱে ছাগলীয়া বন গাণনিক কাৰ্যালয়ৰ বিভিন্ন বিষয়াৰ লগত গোপন বুজাবুজি কৰি অবৈধ ভাৱে সিন্দুৰাইৰ বিভিন্ন স্থানত কৃষি ভূমি খনন অব্যাহত ৰাখিছে। চক্ৰটোৱে গাঁৱৰ কৃষক ৰাইজক ধনৰ লোভ দেখুৱাই কৃষি ভূমি খান্দি মাটিসমূহ ইটা ভাটাত যোগান ধৰি আহিছে। ফলত কৃষি ভূমি দ' খালত পৰিণত হৈছে। ফলত খেতিৰ বাবে অনুপযোগী হৈ পৰে। উৰ্বৰ কৃষি ভূমি এনেকৈ ধ্বংস হৈ থাকিলে স্বয়ং ভূমিপুত্ৰই ভূমিহীন হৈ পৰাটো নিশ্চিত হৈ পৰিছে। কৃষি ভূমি নষ্ট হোৱাৰ উপৰি ডাম্পাৰ আৰু ট্ৰেক্টৰৰ দৌৰাত্ম্যত অঞ্চলটোত দুৰ্ঘটনা বৃদ্ধি পোৱাৰো অভিযোগ উত্থাপিত হৈছে। অৰ্ধ শতাধিক ট্ৰেক্টৰ বৰ্তমান বেলগুৰি সত্ৰশাল পথত দৌৰী থকাত ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ ৰাইজ পথত চলাচল কৰোঁতে চৰম সমস্যাৰ সন্মুখীন হৈছে। বাইক চালকক আটক, ব্যক্তিগত বাহন জব্দ কৰি জৰিমনা বিহাত পাৰ্গত আৰক্ষী সকলো দেখিও নিমাত। বন বিভাগৰ ছত্ৰছায়াত চলিছে কৃষি ভূমি ধ্বংস অভিযান। পৰিবহণ বিভাগৰো ভূমিকা সন্দেহজনক। শীঘ্ৰে অবৈধ কৃষি ভূমি খনন বন্ধ কৰাৰ লগতে উচ্চ পৰ্যায়ৰ তদন্ত কৰি ইয়াৰ লগত জড়িত বন বিষয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্থানীয় ৰাইজে ঊৰ্ধতম কৰ্তৃপক্ষক দাবী জনাইছে।




সিন্দুৰাইত বন বিভাগৰ সহযোগত এনেকৈয়ে চলিছে কৃষি ভূমি খনন, ফটোঃ ই-সংবাদ, গোলকগঞ্জ

# মাজুলী যোৰহাট সংযোগী দলংৰ বাবে কেন্দ্ৰৰ ৭০০ কোটি, আদৰণি মাজুলীবাসীৰ

**ই-সংবাদ, মাজুলী, ৬ মাৰ্চঃ** মাজুলী আৰু যোৰহাটৰ মাজত ব্ৰহ্মপুত্ৰৰ ওপৰত ২ লেনযুক্ত মুখ্য দলং নিৰ্মাণ সন্দৰ্ভত আজি পথ যোগাযোগ আৰু ঘাইপথ মন্ত্ৰালয়ৰ ব্যয় বিত্ত সমিতিয়ে প্ৰায় ৭০০ কোটি টকাৰ সংশোধিত ব্যয় আকলনৰ অনুমোদন জনাইছে কেন্দ্ৰই। এই কথা আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই টুইট যোগে অৱগত কৰাৰ পাছতেই মাজুলীবাসীয়ে আদৰণি জনাইছে। টুইট যোগে আৰু জনোৱা অনুসৰি পৰৱৰ্তী পদক্ষেপ হিচাপে নিবিদা আহ্বান কৰা হ'ব। আমি নিশ্চিত যে এই কামটো সোনকালেই পুনৰ আৰম্ভ হ'ব। এই খবৰে উৎফুল্লিত কৰি তুলিছে মাজুলীবাসীক। দলংখনৰ কাম প্ৰায় ৩৩ শতাংশ অগ্ৰগতি লাভ কৰিছিল। ২০২৪ বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ পৰা দলংখনৰ নিৰ্মাণ কাৰ্য অনিৰ্দিষ্টকালৰ বাবে বন্ধ হৈ পৰে। প্ৰথমে বি আৰ চিৰ আৰু সম্প্ৰতি মূল নিৰ্মাণকাৰী সংস্থা ইউ পি ষ্টেট ব্ৰীজ কৰ্পৰেচনো দলঙৰ কামৰ পৰা আঁতৰি যোৱাত এতিয়া দলংখনৰ বাবে পুনৰ নিবিদা অৱধাৰিত হৈ পৰিছিল। দলং নিৰ্মাণৰ পুনৰ নিবিদা প্ৰক্ৰিয়া জৰুৰী হৈ পৰিছিল। এতিয়া মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা অনুসৰি পুনৰ নিবিদা প্ৰক্ৰিয়া শীঘ্ৰে আৰম্ভ হলে মাজুলীবাসীৰ বাবে আশাব্যঞ্জক খবৰ হব বুলি মাজুলীবাসীয়ে আদৰণি জনাইছে।

## পছৰীয়াত তিনিদিনীয়া কাৰ্যসূচীৰে ১১৩ সংখ্যক শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন

**ই-সংবাদ, শুৱালকুছি, ৬ মাৰ্চঃ** কামৰূপৰ অন্যতম কৃষিগ্ৰাম পছৰীয়াত তিনিদিনীয়া কাৰ্যসূচীৰে ৭ মাৰ্চৰ পৰা ৯ মাৰ্চলৈ পছৰীয়া ৰাইজ গয়ৰহৰ উদ্যোগত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। ৭ মাৰ্চত পুৱা প্ৰভাত ফেৰী, গছপুলি ৰোপণ আৰু বিয়লি দেৱীৰ প্ৰতিমালৈ শোভাযাত্ৰা। নিশা ৰামধেনু এমেচাৰ থিয়েটাৰ বাক্সাৰ নাট প্ৰদৰ্শন। ৮ মাৰ্চত পূজাৰ যথাবিহিত কাৰ্যসূচীৰ লগতে বিয়লি ওজা পালি আৰু নিশা দৰঙৰ মণ্টু ডেকা আৰু ভৰেন চন্দ্ৰ কলিতাৰ নাগাৰ নাম পৰিৱেশন। ৯ মাৰ্চত পূজাৰ অন্যান্য কাৰ্যসূচীৰ লগতে বিয়লি ২ বজাৰ পৰা ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। ধৰ্মালোচনা সভাত আলোচক হিচাপ অংশগ্ৰহণ কৰিব সাংস্কৃতিক আলোচনী 'দাপোণ'ৰ মুখ্য সম্পাদক তথা এমট্ৰ'নৰ পৰামৰ্শ দাতা দিনমণি ভাণ্ডাৰ কায়স্থ। উক্ত অনুষ্ঠানতে নাগাৰা নামৰ ওজা ৰামচৰণ ভৰালীক সম্বৰ্ধনা জনোৱা হ'ব।

# মঙলদৈত ৩২কোটিৰো অধিক টকা ব্যয়ৰ উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা

**ই-সংবাদ, মঙলদৈ, ৬ মাৰ্চঃ** দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিৰ পথ যোগাযোগ, শিশু আৰু কিশোৰৰ সৰ্বাংগীন বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লক্ষ্যৰে আজি সৰ্বমুঠ ৩২ কোটিৰো অধিক টকা ব্যয় সাপেক্ষে ত্ৰিশটাতকৈ অধিক প্ৰকল্পৰ একেলগে আধাৰশিলা স্থাপন আৰু উদ্বোধনী কাৰ্যসূচী সম্পন্ন কৰা হয়। ইয়াৰ ভিতৰত মুঠ ১২ কোটি ৫১ লাখ টকা ব্যয় সাপেক্ষে মঙলদৈৰ নৈৰ পুৰণা বেইলী দলঙৰ স্থানত নতুন পকী দলং আৰু নগৰবাহী, ৰঙামাটি, ৰামহৰি আৰু ওন্দোলাঝাৰত মুঠ ১২ কোটি টকা ব্যয়ৰে চাৰিটা পথ অন্যতম। তদুপৰি মুঠ ৬ কোটি টকা ব্যয় সাপেক্ষে ২৫ লাখ টকীয়া মুঠ ২৪ টা আদৰ্শ অংগনবাদী কেন্দ্ৰ, ১ কোটি ৭ লাখ টকা ব্যয়ৰে ধূলাৰ কস্তুৰবা গান্ধী আবাসিক বিদ্যালয়ৰ প্ৰকল্পও আছে। দৰং জিলা প্ৰশাসনৰ উদ্যোগত এই উপলক্ষে মঙলদৈৰ বিষ্ণু মন্দিৰ প্ৰাংগণত বিয়লি অনুষ্ঠিত ৰাজহুৱা কাৰ্যসূচীত দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই মঙলদৈৰ বিধায়ক বসন্ত দাস আৰু আন গণ্য মান্য ব্যক্তিৰ উপস্থিতিত এই প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে আৰু নিৰ্মাণ সম্পূৰ্ণ হোৱা পাঁচটা আদৰ্শ অংগনবাদী কেন্দ্ৰ ব্যৱহাৰৰ বাবে মুকলি কৰি দিয়ে। নিজৰ ভাষণত সাংসদ শইকীয়াই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত দৰং জিলাত হোৱা দ্ৰুত উন্নয়নৰ এক চমু খতিয়ান দাঙি ধৰে। অহা ১০ মাৰ্চত ঘোষণা হ'ব লগীয়া ৰাজ্য চৰকাৰৰ আগন্তুক বাজেটতো দৰং জিলাৰ ৰাইজৰ বাবে বহু সুন্দৰ সুন্দৰ উপহাৰ আছে বুলি লগতে উল্লেখ কৰে। ইয়াৰ পূৰ্বে নিজৰ ভাষণত মঙলদৈ বিধায়ক বসন্ত দাসে দিনটো তেওঁৰ বাবে বিশেষ স্মৰণীয় দিন হৈ ৰ'ব বুলি কয়। তেওঁ লগতে প্ৰকল্পসমূহ সময়ত অনুমোদনৰ বাবে গ্ৰহণ কৰা সক্ৰিয় ভূমিকাৰ বাবে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা আৰু সাংসদ দিলীপ শইকীয়াৰ শলাগ লয়। অনুষ্ঠানৰ আৰম্ভণিতে দৰঙৰ অতিৰিক্ত জিলা আয়ুক্ত গৌৰীপ্ৰিয়া দেউৰীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সকলোক আদৰণি জনায়।

# ১৯৮০ চনৰ পাছত ৰাজনীতি, পৰিচয় আৰু উন্নয়ন' শীৰ্ষক ডিফুত দুদিনীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰ

**ই-সংবাদ, ডিফু, ৬ ফেব্ৰুৱাৰীঃ** অসম বিশ্ব বিদ্যালয় ডিফু চৌহদৰ জনজাতীয় অধ্যয়ন কেন্দ্ৰ আৰু বুৰঞ্জী বিভাগৰ উদ্যোগত '১৯৮০ চনৰ পাছত অসম, ৰাজনীতি, পৰিচয় আৰু উন্নয়ন' শীৰ্ষক এখন দুদিনীয়া আলোচনা চক্ৰ আজিৰে পৰা ডিফুৰ জিৰচং আচঙত অনুষ্ঠিত হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বহু কেইগৰাকী অধ্যাপকে অংশগ্ৰহণ কৰিবলগীয়া ৰাষ্ট্ৰীয় আলোচনা চক্ৰখনৰ আৰম্ভণি সভাত অধ্যক্ষতা কৰে অসম বিশ্ববিদ্যালয় ডিফু চৌহদৰ সম উপাচাৰ্য অধ্যাপত এছ বিশ্বাসে। আদৰণি ভাষণ পাঠ কৰে বিশ্ববিদ্যালয়খনৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক পি বি চনজিকে। মূল বিষয়বস্তুৰ ওপৰত আলোকপাত কৰি ভাষণ প্ৰদান কৰে বিশ্ববিদ্যালয়খনৰ সহকাৰী অধ্যাপক ডঃ প্ৰফুল্ল নাথে। আজি প্ৰথম দিনৰ কাৰ্যসূচীত বহু কেইগৰাকী বিশিষ্ট অধ্যাপকে অংশগ্ৰহণ কৰে। তদুপৰি প্ৰাক্তন মন্ত্ৰী হলিৰাম তেৰাঙো উপস্থিত থাকে। বিয়লি ৪ বজাত এখন ঘূৰণীয়া মেজমেল সভাত বিভিন্ন অধ্যাপক আৰু শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে বিশিষ্ট ৰাজনৈতিক নেত্ৰী ডঃ জয়ন্ত ৰংপি, হলিৰাম তেৰাং, উত্তম বাথাৰি আৰু দেৱেন্দ্ৰ মেদকে। এই আলোচনা চক্ৰৰ আঁত ধৰে কিশোৰ কুমাৰ কলিতাই। আলোচনা চক্ৰখনৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰি ডঃ প্ৰফুল্ল নাথে কয় যে, ৮০ ৰ দশকটো অসমৰ বাবে এক বিশেষ দশক ৰূপে চিহ্নিত হৈছিল। বিদেশী খেদা অসম আন্দোলনৰ সমান্তৰালভাৱে উগ্ৰপন্থী সংগঠনৰ জন্ম, বড়ো আন্দোলন, কাৰ্বি আন্দোলনে অসমত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিছিল। সেয়ে এই সময়ছোৱাৰ পাছত অসমৰ উন্নয়ন আৰু পৰিচয় সন্দৰ্ভত নৱাগতসকলে জনাৰ উদ্দেশ্যে এই বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত কৰা বুলি কৈ উক্ত আলোচনা চক্ৰত অধ্যাপক, অধিবক্তা, সেই সময়ৰ আন্দোলনকাৰী নেতা তথা বৰ্তমানৰ ৰাজনীতিবিদেও অংশগ্ৰহণ কৰিব বুলি নাথে জানিবলৈ দিয়ে। বিনিময় কৰে বিশিষ্ট ৰাজনৈতিক নেত্ৰী ডঃ জয়ন্ত ৰংপি, হলিৰাম তেৰাং, উত্তম বাথাৰি আৰু দেৱেন্দ্ৰ মেদকে। এই আলোচনা চক্ৰৰ আঁত ধৰে কিশোৰ কুমাৰ কলিতাই। আলোচনা চক্ৰখনৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰি ডঃ প্ৰফুল্ল নাথে কয় যে, ৮০ ৰ দশকটো অসমৰ বাবে এক বিশেষ দশক ৰূপে চিহ্নিত হৈছিল। বিদেশী খেদা অসম আন্দোলনৰ সমান্তৰালভাৱে উগ্ৰপন্থী সংগঠনৰ জন্ম, বড়ো আন্দোলন, কাৰ্বি আন্দোলনে অসমত ব্যাপক প্ৰভাৱ বিস্তাৰ কৰিছিল। সেয়ে এই সময়ছোৱাৰ পাছত অসমৰ উন্নয়ন আৰু পৰিচয় সন্দৰ্ভত নৱাগতসকলে জনাৰ উদ্দেশ্যে এই বিশেষ আলোচনা চক্ৰ অনুষ্ঠিত কৰা বুলি কৈ উক্ত আলোচনা চক্ৰত অধ্যাপক, অধিবক্তা, সেই সময়ৰ আন্দোলনকাৰী নেতা, ৰাজনীতিবিদেও অংশগ্ৰহণ কৰিব বুলি নাথে জানিবলৈ দিয়ে।

# বৰপেটাত অহা ৮ মাৰ্চত লোক আদালতৰ আয়োজন

**ই-সংবাদ, বৰপেটাৰোড, ৬ মাৰ্চঃ** দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমৰ বৰপেটা জিলাতো অহা ৮ মাৰ্চত চতুৰ্থ ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত আয়োজিত এই অনুষ্ঠানৰ লক্ষ্য হৈছে বিচাৰাধীন গোচৰ ক্ষিপ্ৰতাৰে কৰা আৰু বিবাদৰ সুদক্ষ সমাধানৰ ব্যৱস্থা কৰা। বৰপেটা জিলা আইন সেৱা প্ৰাধিকৰণে বৰপেটা জিলা আৰু ন্যায়াধীশ আদালতৰ চৌহদ, পৰিয়াল আদালত, মটৰ দুৰ্ঘটনা দাবী ন্যায়াধিকৰণ, বৰপেটা, বৰপেটাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ অধীনস্থ আদালত আৰু কাৰ্যালয়কে ধৰি একাধিক স্থানত লোক আদালত অনুষ্ঠিত কৰিব। লোক আদালতে বাকী থকা ঋণৰ সৈতে জড়িত গোচৰকে ধৰি বিভিন্ন গোচৰৰ সমাধান কৰিব আৰু বি এছ এন এল, এ পি ডি চি এল আৰু বেংকৰ পৰা বিদ্যুৎ আৰু টেলিফোন সেৱা বিল সম্পৰ্কীয় অভিযোগসমূহ সমাধান কৰিব। জনসাধাৰণক লোক আদালতত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সফল আহ্বান জনাইছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

## ডিব্ৰুগড় চহৰত নাহৰফুটুকীৰ আতংক!

# বাঘ ধৰিবলৈ কুকুৰৰ পোৱালি ব্যৱহাৰ কৰি ককর্থনাৰ সন্মুখীন বন বিভাগ

**ই-সংবাদ, ডিব্ৰুগড়, ৬ মাৰ্চঃ** যোৱা ১ মাৰ্চৰপৰা ডিব্ৰুগড় চহৰৰ মাজমজিয়াৰ জীৱন ফুকন নগৰৰ ডিব্ৰুগড় আদ্ৰেছ নামৰ হোটেলৰ সন্মুখত এটা প্ৰকাণ্ড নাহৰফুটুকী বাঘে মুক্ত বিচৰণ কৰা ৰাইজে প্ৰত্যক্ষ কৰে। ৩ মাৰ্চৰ সন্ধিয়া অগপ কাৰ্য্যালয়ৰ সন্মুখত আকৌ বাঘটো দেখাত ৰাইজৰ মাজত হুৱাদুৱা লাগে। বন বিভাগে বাঘটোক ধৰিব নোৱাৰি অসহায় বোধ কৰে, যাৰবাবে ৰাইজৰ নিৰাপত্তাৰ প্ৰতি ভাবুকি আহিছে। গতিকে নিশা ভাগত অকশৰীয়াকৈ ঘুৰাফিৰা নকৰিবলৈ অনুৰোধ জনাইছে বন বিভাগে। তদুপৰি কোনো লোকে বাঘৰ সন্ধান পালে 98593-06062 নম্বৰত ফোন কৰিবলৈ বন বিভাগৰ তৰফৰপৰা অনুৰোধ জনাইছে। ইফালে বাঘ ধৰিবলৈ বন বিভাগে দুটাকৈ মাকৰ গাখীৰ খাই থকা কণকণ মৰমলগা কুকুৰ পোৱালিক গড়ালত আৱদ্ধ কৰাৰ এখন ফটো ভাইৰেল হৈ পৰাৰ পিছতে সমগ্ৰ ৰাজ্যজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বহুতে বন বিভাগৰ এনা কাৰ্যক অবিবেচকী আখ্যা দিছে। ছ'চিয়েল মিডিয়াতো উক্ত কাৰ্যৰ বাবে সচেতন ৰাইজৰ সমালোচনাৰ সন্মুখীন হৈছে বন বিভাগ। বিভাগটোৱে কি যুক্তিত নিমাখিত কুকুৰ পোৱালি ব্যৱহাৰ কৰিলে বুলি ভিন্নজনে প্ৰশ্ন কৰিছে।

## ছিপাঝাৰত ট্ৰেক্টৰ দুৰ্ঘটনাত কিশোৰৰ মৃত্যু

**ই-সংবাদ, ছিপাঝাৰ, ৬ মাৰ্চঃ** দৰং জিলাৰ ছিপাঝাৰ আৰক্ষী থানাৰ অন্তৰ্গত বৰাচুবাত আজি এক ট্ৰেক্টৰ দুৰ্ঘটনাত এজন কিশোৰৰ মৃত্যু হোৱাক লৈ অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হয়। ঘটনাৰ বিৱৰণী অনুসৰি, ৰূপহীকাষৰ ৰিংকু আহমেদ নামৰ কিশোৰজনে ঘৰত গম নোপোৱাকৈ ওলাই আহিছিল। দুপৰীয়া এএছ-১৩ এচি-২৫৬০ নম্বৰৰ ট্ৰেক্টৰখন বৰাচুবাৰ এটা পুখুৰীত দুৰ্ঘটনাত পতিত হয় আৰু ৰিংকু ইঞ্জিনটোৰ তলত সোমাই পৰি মৃত্যুক সাবটি লয়। পিছত ছিপাঝাৰ আৰক্ষীয়ে ৰাইজৰ সহযোগত ৰিংকুৰ মৃতদেহটো উদ্ধাৰ কৰে। অৱশ্যে প্ৰত্যক্ষদৰ্শীৰ অভাৱৰ বাবে কি পৰিস্থিতিত ৰিংকুৰ মৃত্যু হ'ল, সেয়া ঠিৰাং হ'ব আৰক্ষীৰ তদন্তৰ পিছতহে। উল্লেখ্য যে, ৰিংকু সদ্য সমাপ্ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী আছিল।

## আটিগাঁও প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থ

# কামপুৰৰ ‘কপিলী’ উন্মোচন

**ই-সংবাদ, কামপুৰ, ৬ মাৰ্চঃ** নগাঁও জিলাৰ কঠীয়াতলী প্ৰাথমিক শিক্ষাখণ্ডৰ অন্তৰ্গত যমুনামুখ কপিলী দলঙৰ সমীপৰ ১৯১ নং আটিগাঁও প্ৰাথমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী বৰ্ষৰ আজি সফল সামৰণি পৰে। ১৯৪১ চনত কেইজন মহান ব্যক্তিৰ ত্যাগৰ ফলত কপিলীৰ পাৰত জন্মলাভ কৰা বিদ্যালয়খনৰ মহাৰজত জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ইতিমধ্যে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাৰ পাছত আজি আনুষ্ঠানিকভাৱে সামৰণি অনুষ্ঠানটি অনুষ্ঠিত কৰা হয়। তদুপলক্ষে আয়োজিত অনুষ্ঠানৰ পুৱা জ্যেষ্ঠ নাগৰিক মণিৰাম ভূমিজে পতাকা উত্তোলন, মহাৰজত জয়ন্তী বৰ্ষ উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি কনৌজ বৰাই বন্তি প্ৰজ্বলন, সম্পাদক বিদ্যুৎ বিকাশ গগৈ আৰু কেশৱ দাসে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। তাৰ পাছত কাৰ্যকৰী সভাপতি কনৌজ বৰাৰ সভাপতিত্বত এখনি মুকলি সভা অনুষ্ঠিত কৰি বিদ্যালয়খন গঢ় দি ইহ সংসাৰ এৰি যোৱা বৰেণ্য ব্যক্তিসকলক সশ্ৰদ্ধভাৱে স্মৰণ কৰি অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ, জ্যেষ্ঠ নাগৰিক তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাত কঠীয়াতলী প্ৰাথমিক শিক্ষাখণ্ডৰ খণ্ড উন্নয়ন বিষয়া শংকৰ ছেত্ৰী, কঠীয়াতলী প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক শ্ৰীমান্ত পাটৰ, অৱসৰপ্ৰাপ্ত শিক্ষক অৰুণ বৰা, শিক্ষক প্ৰদীপ মজুমদাৰ, দেউতী বৰা, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ সচিব প্ৰধান লক্ষীপ্ৰসাদ ডেকা, প্ৰাক্তন ছাত্ৰ প্ৰভাত ভূঞাৰ লগতে যথেষ্ট গুণী-জ্ঞানী লোক উপস্থিত থাকে। উক্ত সভাত বিদ্যালয়খনৰ কণ কণ শিশুসকলে নিখুঁতভাৱে পৰিৱেশন কৰা সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰি সকলো আপ্লুত হয়। উল্লেখ্য যে উক্ত সভাতে যমুনামুখ শংকৰদেৱ বিদ্যা নিকেতনৰ জ্যেষ্ঠ আচাৰ্য হেমকান্ত ভূমিজে সম্পাদনা কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'কপিলী' উন্মোচন কৰে হোজাই জিলা সাহিত্য সভাৰ সদ্য প্ৰাক্তন সম্পাদক বিৰাজ কুমাৰ বৰাই।



বিধানসভা চলি থকাৰ সময়তে টেট শিক্ষকসকলৰ প্ৰতিবাদ, চচলত বৃহস্পতিবাৰে

# বি এইচ বি মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা আঁচনিৰ কাৰ্যসূচী

**ই-সংবাদ, ভৱানীপুৰ, ৬ মাৰ্চঃ** সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ত আজি ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতাৰ বাবে এলানি কাৰ্যসূচী পালন কৰা হয়। যুৱ শিক্ষাৰ্থীসকলক পুৰাতন ভাৰতীয় সংস্কৃতিৰ বিষয়ে সজাগ কৰা আৰু সশস্ত্ৰ বাহিনীৰ লোকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰদান কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী সম্পন্ন কৰা হয়। বি এইচ বি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নয়ন জ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত কৰ্নেল নিবিড় গগৈ আৰু অৱসৰপ্ৰাপ্ত সামৰিক কল্যাণ সংস্থাৰ সম্পাদক প্ৰাণেশ্বৰ বৈশ্য মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ভাষণ প্ৰসংগত কৰ্নেল গগৈয়ে ৰাষ্ট্ৰ নিৰ্মাণৰ বাবে দৃঢ়তা আৰু দেশপ্ৰেমেৰে জীৱনত আগবাঢ়ি যোৱা সন্দৰ্ভত বক্তব্য ৰখাৰ বিপৰীতে আনগৰাকী বক্তা প্ৰাণেশ্বৰ বৈশ্যই একতা, অনুশাসন আৰু ৰাষ্ট্ৰ নিৰ্মাণত এনচিচি কেডেটসকলৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অধ্যক্ষ ড০ দাসে তেওঁৰ ভাষণত ভাৰতীয় সশস্ত্ৰ বাহিনীৰ ইতিহাস, তেওঁলোকৰ কৰ্তব্য আৰু দায়িত্ব আৰু ইজৰাইল আৰু অন্যান্যৰ উদাহৰণ দাঙি ধৰাৰ বাবে দেশৰ যুৱপ্ৰজন্মই কিয় সামৰিক বাহিনীত যোগদান কৰিব লাগে সেই সম্পৰ্কে বিশদভাৱে অৱগত কৰে। মহাবিদ্যালয়ৰ এন চি চিৰ এ এন অ' বিশ্বজিৎ ডেকা, চিটিঅ' হিৰণ্ময়ী কলিতা, উপাধ্যক্ষ ড০ দিপ্তী কলিতাকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, এন চি চি আৰু এন এছ এছৰ কেডেটসকলৰ লগতে আন ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে।

# বৈঠালাংছ'ত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ সম্পন্ন

**ই-সংবাদ, বৈঠালাংছ', ৬ মাৰ্চঃ** পশ্চিম কাৰ্বি আংলং জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু জিলা সমাজ কল্যাণ বিভাগৰ সহযোগত আজি বৈঠালাংছ'ৰ চেৰদিহুন ক্ষেত্ৰত বিশেষভাৱে সক্ষম লোকসকলৰ বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। এই বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰত ডিফু চিকিৎসা মহাবিদ্যালয়ৰ কাণ, নাক আৰু ডিঙি, অৰ্থপেডিকছ, মেডিচিন, চকু আৰু মনোৰোগ চিকিৎসাৰ বিশেষজ্ঞ চিকিৎসকে অংশগ্ৰহণ কৰে। এই শিবিৰত বিশেষভাৱে সক্ষম লোকসকলক চিকিৎসা, কাউঞ্চেলিং আৰু ঔষধ প্ৰদান কৰাৰ লগতে অস্থায়ী প্ৰমাণ-পত্ৰ দিয়াৰো ব্যৱস্থা কৰা হয়। তদুপৰি এই শিবিৰত অসংক্ৰামক ৰোগ আৰু যক্ষ্মা ৰোগৰ স্ক্ৰীনিং কৰাৰ লগতে কাঠফুলাৰপৰা হোৱা বিষক্ৰিয়া ওপৰত তথ্যসমৃদ্ধ বেনাৰ আৰু পোষ্টাৰ প্ৰদৰ্শন কৰা হয়। শিবিৰ উদ্বোধন কৰি পশ্চিম কাৰ্বি আংলং জিলা স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক ডাঃ জগত সিং টেৰণে কয় যে ইতিমধ্যে আমি জিলা সমাজ কল্যাণ বিভাগ, পশ্চিম কাৰ্বি আংলঙৰ লগত সংযুক্ত হৈ ডংকামোকামত এই শিবিৰ সমাপ্ত কৰা হয়। য'ত ২৫০ জন লোকে নিজৰ স্বাস্থ্য পৰীক্ষা কৰে। আজি বৈঠালাংছ'ত এতিয়ালৈকে আমি ভালেই সঁহাৰি পাইছো।অনাগত দিনত জিৰিকেন্দিং আৰু উমপানাইটো আমি এনেধৰণৰ কেম্প পতাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিম। আমাৰ জিলাত থকা বিশেষভাৱে সক্ষম লোকসকলৰ বাবে এয়া এক সময়োপযোগী পদক্ষেপ। উল্লেখযোগ্য যে এই স্বাস্থ্য পৰীক্ষা শিবিৰত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, পশ্চিম কাৰ্বি আংলঙৰ মোবাইল মেডিকেল ইউনিটৰ লগতে ৰাষ্ট্ৰীয় বাল সুৰক্ষা কাৰ্যক্ৰমৰ দলটোৱে অংশগ্ৰহণ কৰি সফল পৰিসমাপ্তিত যথেষ্ট অৰিহণা যোগায়।



বাঘ ধৰিবলৈ কুকুৰ পোৱালি ব্যৱহাৰ বন বিভাগৰ

# কলগাছিয়াৰ খাৰবাল্লীৰ যুৱক শিলিগুৰিত নিৰুদ্দেশ

**ই-সংবাদ, কলগাছিয়া, ৬ মাৰ্চঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত খাৰবাল্লি গাঁৱৰ নুৰ হুছেইনৰ ২৪ বছৰীয়া পুত্ৰ ছফিকুল ইছলাম চলিত মাহৰ তিনি তাৰিখৰপৰা নিৰুদ্দেশ হৈ থকা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে ছফিকুল ইছলামে কিছুদিন পূৰ্বে বেংগালুৰুত কাম বিচাৰি গৈছিল যদিও কাম কৰি থকা সময়ত যুৱকজনক কুকুৰে কামুৰে। তাৰপিছৰপৰাই যুৱকজনৰ স্বাস্থ্যৰ অৱনতি ঘটে। পিছে উপায়ন্তৰ হৈ যুৱকজনে চলিত মাহৰ ১ তাৰিখত বেংগালুৰুৰপৰা নিজ গৃহ অভিমুখে যাত্ৰা কৰে। কিন্তু সিদিনাই কলকাতালৈ আহি দুদিন অতিবাহিত কৰাৰ পিছত পুনৰ ৩ তাৰিখত কলকাতাৰ পৰা ঘৰত আহিব বুলি কৈ শিলিগুৰিৰ বাছত উঠে যদিও তেতিয়াৰপৰাই নিৰুদ্দেশ হৈ পৰে যুৱকজন। ইমানদিনে পৰিয়ালৰ সৈতে ছফিকুল ইছলামৰ ফোনত যোগাযোগ আছিল যদিও শিলিগুড়িৰ বাছত উঠাৰ পিছৰেপৰা আজিলৈ সন্ধান নাই



যুৱকজনৰ। ফলত পৰিয়ালৰ মাজত হাহাকাৰ পৰিৱেশৰ সৃষ্টি হৈছে। কান্দোনত ভাঙি পৰিছে পৰিয়ালৰ লোক। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে যুৱকজন সামান্য পৰিমাণে মানসিক বিকাৰগ্ৰস্ত আছিল। কোনো লোকে যুৱকজনৰ সন্ধান পালে 7896856450 আৰু 7002698741 নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

# গোলকগঞ্জত স্বাস্থ্যকৰ্মীৰ প্ৰতিবাদ অব্যাহত

**ই-সংবাদ, গোলকগঞ্জ, ৬ মাৰ্চঃ** অসম চৰকাৰৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনৰ সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাই আহ্বান জনোৱা তিনিদিনীয়া কৰ্মবিৰতি গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰতো পালন কৰা হয়। জানিব পৰা মতে, ২০০৬ চনৰ পৰাই ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ অধীনত নাৰ্ছ-চিকিৎসক আদি পদত কৰ্মৰত হৈ আছে যদিও আজিকে পদসমূহৰ নিয়মীয়াকৰণ হোৱা নাই। ইপিনে চাকৰিৰ বয়সৰ সীমা পাৰ হৈ যোৱাত আন কামত যোগদান কৰিব নোৱাৰি চৰম দুঃচিন্তাত ভুগিব লগা হৈছে। একে কামত নিয়মীয়া কৰ্মচাৰীসকলে তিনিগুণ অধিক দৰমহা লাভ কৰা বুলি তেওঁলোকে ক্ষোভ প্ৰকাশ কৰে। এই সন্দৰ্ভত চচলত প্ৰতিবাদী কাৰ্যসূচী পালন কৰাৰ পিছত মুখ্যমন্ত্ৰী সপ্তম আয়োগৰ নিৰিখত দৰমহা দিয়াৰ প্ৰতিশ্ৰুতি আগবঢ়াইছিল যদিও কাৰ্যত সকলো অসাৰ হৈ পৰে। সেয়ে পুনৰ তিনিদিনীয়া কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। আজি তিনিদিন উকলি যোৱাৰ পিছতো চৰকাৰে কোনো গুৰুত্ব নিদিয়াত চৰম হতাশাত ভুগিছে কৰ্মচাৰীসকল। অতিশীঘ্ৰে অসম চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে ৰাজপথত আন্দোলন কৰাৰ সকীয়নী দিয়ে। গোলকগঞ্জ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত কৰ্মৰত সমূহ চিকিৎসক নাৰ্চ আজি চিকিৎসালয় চৌহদত প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি হাতে হাতে প্লে'-কাৰ্ড লৈ আমাৰ চাকৰি নিয়মীয়া কৰক, স্বাস্থ্য বিভাগৰ খালি পদত নিযুক্তি দিয়ক, নতুন পদ সৃষ্টিৰেও নিযুক্তি লাগে, ঠিকাভিত্তিক কৰ্মচাৰীক সুৰক্ষিত দৰমহাসহ নিযুক্তি দিয়ক, স্কেল পে'ত দৰমহা দিয়ক, মুখ্যমন্ত্ৰীৰ লোক সেৱক আৰোগ্য যোজনাৰ ব্যৱস্থা কৰক, আপোন ঘৰ আপোন বাহন আঁচনি উপলব্ধ কৰাওক আদি ধ্বনিৰে পৰিৱেশ উত্তাল কৰে। প্ৰতিবাদী কাৰ্যসূচীৰ পিছতে সকলোৱে গৈ গোলকগঞ্জ ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোনোৱালক এখন স্মাৰক-পত্ৰ প্ৰদান কৰে।

# ইলা মহন বুঢ়াগোহাঁইক আদৰ্শ মাতৃ সন্মান প্ৰদান

**ই-সংবাদ, আমগুৰি, ৬ মাৰ্চঃ** শিৱসাগৰ জিলাৰ নামতি অঞ্চলৰ অন্যতম শিক্ষানুষ্ঠান খেজুৰিতল জ্ঞানজ্যোতি বিদ্যাপীঠত আজি বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ পুৰস্কাৰ বিতৰণী আৰু আদৰ্শ মাতৃ সন্মান প্ৰদানৰ এক অনুষ্ঠান অনুষ্ঠিত হয়। পুৱা ৯ বজাত একল শিক্ষয়িত্ৰী শান্তিছায়া গগৈয়ে বন্তি প্ৰজ্বলন কৰি শুভাৰম্ভ কৰা অনুষ্ঠানটোত ছাত্ৰ-ছাত্ৰীসকলৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ পুৰস্কাৰ বিতৰণী অনুষ্ঠানৰ লগত সঙ্গতি ৰাখি এখনি আলোচনা-চক্ৰ আয়োজন কৰা হয়। সঞ্চালিকা দেৱযানী শইকীয়া গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক শুভাশিস প্ৰদান কৰা পাছতেই শিমলুগুৰি বালিঘাট নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, সু-গায়িকা, লেখিকা, সমাজসেৱিকা বৰ্তমান শিমলুগুৰি শাখা সাহিত্য সভাৰ সভাপতি ইলা মহন বুঢ়াগোহাঁইক বিদ্যালয়ৰ তৰফৰপৰা আদৰ্শ মাতৃৰ সন্মান প্ৰদান কৰা হয়। উক্ত সন্মান প্ৰদান অনুষ্ঠানৰ পাছতে আলোচনা-চক্ৰ আৰম্ভ হয়। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী ডিম্পী চেতিয়াই আঁতধৰা সন্তান গঢ় দিয়াত মাতৃৰ ভূমিকা শীৰ্ষক আলোচনা-চক্ৰত আদৰ্শ মাতৃ সন্মানপ্ৰাপক ইলা মহন বুঢ়াগোহাঁয়ে কয় যে সন্তানক ডাঙৰ কৰোঁতে মৰম আৰু শাসনৰ মাজত সামঞ্জস্য ৰখা উচিত। অত্যধিক মৰম আৰু অত্যধিক শাসনে সন্তানক বেয়া কৰে। সন্তানে দাবী কৰা প্ৰতিটো বস্তু হাতত তুলি দিলেও সন্তান বেয়া হয়। তেওঁ সন্তানক সুন্দৰভাৱে কিদৰে গঢ়ি তুলিব পাৰি এই সম্পৰ্কে আলোচনা কৰে। উক্ত অনুষ্ঠানতে ২০২৪-২৫ বৰ্ষৰ বেষ্ট ষ্টুডেন্ট এৱাৰ্ড কে জিৰ ছাত্ৰী সুকন্যা গগৈ আৰু ষ্টাৰ ষ্টুডেন্ট এৱাৰ্ড কে জিৰ ছাত্ৰী প্ৰিয়াক্ষী গগৈক প্ৰদান কৰা হয়। শিক্ষয়িত্ৰী, অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীৰ লগতে উক্ত অনুষ্ঠানটোত বিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক হেমন্ত গগৈ, শিক্ষয়িত্ৰী মমী বৰুৱা, হিমাশ্ৰী গগৈকে ধৰি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

# বিত্তীয় অনিয়ম, বি চি এম মহাবিদ্যালয়ৰ অধ্যক্ষৰ পদত্যাগ

**ই-সংবাদ, হাজো, ৬ মাৰ্চঃ** কামৰূপ জিলাৰ হাজোৰ উচ্চ শিক্ষাৰ আগশাৰীৰ শৈক্ষিক প্ৰতিষ্ঠান ৰামদিয়া বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ অসিত কুমাৰ পালে পদবীৰ পৰা পদত্যাগ কৰিছে। উল্লেখযোগ্য যে বিনন্দি চন্দ্ৰ মেধি মহাবিদ্যালয়ৰ কেইগৰাকীমান প্ৰাক্তন ছাত্ৰৰ অভিযোগৰ ভিত্তিত মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ অসিত কুমাৰ পালৰ বিৰুদ্ধে লাখ লাখ টকাৰ কেলেংকাৰি হোৱাৰ তথ্য দাঙি ধৰিছিল। আনকি তথ্য জনাৰ অধিকাৰ আইনৰ প্ৰতিবেদনত মহাবিদ্যালয়খনৰ পদত্যাগী ভাৰপ্ৰাপ্ত অধ্যক্ষ অসিত কুমাৰ পালে মহাবিদ্যালয়ৰ আন্তঃগাথঁনিত বৃহৎ বিত্তীয় খেলিমেলি সংঘটিত কৰাৰ লগতে বি পি এল ছাত্ৰ-ছাত্ৰীক এ পি এল সজাই ভুৱা তথ্য দি বৃহৎ পৰিমাণৰ চৰকাৰী ধন মোকলাই নিয়াৰ তথ্য পোহৰলৈ আহিছে। ভালেমান তথ্যৰ আধাৰত বিভিন্ন সংবাদ মাধ্যমত কেইবাটাও বাতৰি প্ৰকাশ পাইছিল ৰামদিয়াৰ বিনন্দি চন্দ্ৰ মহাবিদ্যালয়ত ড০ অসিত কুমাৰ পালৰ নেতৃত্বত সংঘটিত হোৱা বিত্তীয় খেলিমেলিৰ বাতৰি। ভিন্ন বাতৰিৰ আধাৰত সচেতন ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ আবেদনৰ ভিত্তিত অধ্যক্ষগৰাকীৰ বিৰুদ্ধে বিত্তীয় খেলিমেলি সন্দৰ্ভত উচ্চ শিক্ষা সঞ্চালকালয়ৰ তৰফৰপৰা এটা তিনিজনীয়া দলে তদন্ত কৰে মহাবিদ্যালয়খনত হৈ থকা বিত্তীয় খেলিমেলি সন্দৰ্ভত। অধ্যক্ষজনৰ কু-কীৰ্তিৰ কথা বিভাগীয়ভাৱে প্ৰকাশ হোৱাৰ পূৰ্বে প্ৰায় ডেৰ দশক ধৰি ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থকা ড০ অসিত কুমাৰ পালে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ পদৰপৰা অব্যাহতি বিচাৰি কালি মহাবিদ্যালয় পৰিচালনা সমিতিৰ হাতত পদত্যাগ-পত্ৰ দাখিল কৰে। ড০ পালৰ পদত্যাগ-পত্ৰৰ আধাৰত মহাবিদ্যালয় পৰিচালনা সমিতিয়ে কালিয়েই এখন জৰুৰী সভা অনুষ্ঠিত কৰি ড০ অসিত কুমাৰ পালৰ পদত্যাগ-পত্ৰ গ্ৰহণ কৰে। সভাৰ সিদ্ধান্ত অনুসৰি মহাবিদ্যালয়খনৰ স্থায়ী অধ্যক্ষ নিযুক্তি নোহোৱাপৰ্যন্ত কালিৰেপৰা কাৰ্যকৰী হোৱাকৈ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মীনা কুমাৰী দাসক অধ্যক্ষৰ দায়িত্ব অৰ্পণ কৰে। বি চি এম মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপিকা ড০ মীনা কুমাৰী দাসে আজি ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰাত মহাবিদ্যালয়ৰ শিক্ষক গোটে আদৰণি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ফুলাম গামোচাৰে সম্ভাষণ জনায়। ইফালে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ উপস্থিতিত আজি বিয়লি দুৰ্নীতিত নাম সাঙোৰ খোৱা সদ্য পদত্যাগী ভাৰপ্ৰাপ্ত অধ্যক্ষ ড০ অফিচ কুমাৰ পালৰ কাৰ্যালয়টো ছীল কৰে।

## শুৱালকুছিত এন এইচ এম কৰ্মচাৰীৰ তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, শুৱালকুছি, ৬ মাৰ্চঃ** হিমন্ত মামা আমাৰে, লুকাই আছা দেখা নেদা বিধান সভাৰ ভিতৰে, হিমন্ত মামা আমাৰে, আমাৰ দাবী মানি লওঁক, হিমন্ত মামা আমাৰে আদি নামগাই শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ চৌহদত ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত কৰ্মৰত স্বাস্থ্যকৰ্মীসকলে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। যাৰফলত শুৱালকুছি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত চিকিৎসা সেৱাত অচলাৱস্থাৰ সৃষ্টি হয়। উল্লেখ্য, সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ উদ্যোগত সমগ্ৰ অসমত তেওঁলোকৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত ৪ মাৰ্চৰ পৰা ৬ মাৰ্চলৈ তিনিদিনীয়া কৰ্মবিৰতি পালন কৰি আহিছে। ৰাজ্যৰ অন্যপ্ৰান্তৰ লগতে শুৱালকুছিতো শুৱালকুছি মহকুমা খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত কৰ্মৰত ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ প্ৰায় ৬০ গৰাকী স্বাস্থ্যকৰ্মীয়ে শুৱালকুছি মহাত্মা গান্ধী ৩০ খন বিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰে। প্ৰতিবাদকাৰী এন এইচ এম কৰ্মীসকলে হাতে হাতে সম-কামৰ সম-দৰমহা, এন এইচ এম কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰক, সপ্তম দৰমহা আয়োগ অনুযায়ী দৰমহা দিয়ক, ক'ভিড যোদ্ধাক প্ৰতাৰণা নকৰিব আদি শ্লোগান সম্বলিত বেনাৰ-ফেষ্টুন প্ৰদৰ্শন কৰি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদীসকলে অনতিপলমে তেওঁলোকৰ দাবী পূৰণ কৰিবৰ বাবে চৰকাৰৰ প্ৰতি আহ্বান জনায়। অন্যথা ভৱিষ্যতৰ দিনত আন্দোলনৰ কঠোৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে আগন্তুক দিনত এন এইচ এম কৰ্মচাৰীসকলে ভোট বৰ্জনৰো সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মন্তব্য কৰে। আনহাতে, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত কৰ্মৰত স্বাস্থ্যকৰ্মীসকলৰ এই বিক্ষোভ কাৰ্যসূচীত শুৱালকুছি মহকুমা স্বাস্থ্যখণ্ডৰ অন্তৰ্গত স্বাস্থ্যকেন্দ্ৰসমূহত ৰোগীৰ চিকিৎসা প্ৰদানত যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱা বুলি মন্তব্য কৰে শুৱালকুছি মহকুমা খণ্ড স্বাস্থ্য বিষয়াগৰাকীয়ে।

## সৰুপেটাত দুষ্কৃতিকাৰীৰ তাণ্ডৱ

**ই-সংবাদ, ভৱানীপুৰ, ৬ মাৰ্চঃ** সৰুপেটাৰ সমীপৰ ভাৰেগাঁৱৰ কৃষিভূমিত কালিনিশা কোনো দুষ্কৃতিকাৰীয়ে লহপহকৈ গুজি উঠা গোমধানৰ এক অংশ কাটি লৈ যায়। অকল সেয়াই নহয়, দুষ্কৃতিকাৰীয়ে গোমধানৰ খেতিত জলসিঞ্চনৰ বাবে বহুওৱা পানী উত্তোলক মেচিনৰ পাঁচডাল পাইপো চুৰি কৰি লৈ যায়। উল্লেখ্য, কয়াকুছি অঞ্চলৰ চাইফুল ইছলাম নামৰ যুৱকজনৰ নেতৃত্বত ছজনীয়া যুৱকৰ এটি দলে সংশ্লিষ্ট গাঁওখনৰ লগতে সমীপৰ বাংলীপাৰা গাঁৱৰ বাসিন্দাৰ দুশ বিঘাৰো অধিক কৃষিভূমিৰ প্ৰতিবিঘাত দুহেজাৰ টকাকৈ আদায় দি সম্মিলিতভাৱে গোমধানৰ খেতি কৰিছিল। যুৱকসকলে কৃষিকাৰ্যৰ বাবে গাঁঠিৰ ধন খৰচ কৰাৰ উপৰিও বেংকৰপৰা ঋণ লোৱাৰ কথা জানিবলৈ দিছে। আনহাতে, গোমধানৰ কৃষিকাৰ্যত পানী যোগানকে ধৰি ৰাসায়নিক সাৰ, বীজ, ঔষধ ক্ৰয় আদিৰ নামত এতিয়ালৈকে প্ৰায় চাৰি লাখ টকা ব্যয় হোৱা বুলি কয়। দেহৰ ঘাম মাটিত পেলাই কৰা গোমধানৰ খেতিত দুষ্কৃতিকাৰীয়ে চলোৱা এনে তাণ্ডৱৰ পিছতে খেতিয়কসকল গোমধানৰ খেতি দুষ্কৃতিকাৰীৰ দ্বাৰা আৰু অধিক অনিষ্ট হোৱাৰ শংকাত ভুগিছে। ইতিমধ্যে গাঁওখনৰ কেইবাগৰাকীও স্থানীয় লোকক বিষয়টো অৱগত কৰাৰ বিষয়ে জানিবলৈ দিছে খেতিয়কসকলে।



সৰুপেটাত দুষ্কৃতিকাৰীয়ে তাণ্ডৱ চলোৱা কৃষিভূমি

## অস্বাস্থ্যকৰ পৰিৱেশত মধ্যাহ্ন ভোজন প্ৰস্তুত

**ই-সংবাদ, মোৰাঝাৰ, ৬ মাৰ্চঃ** হোজাই জিলাৰ লংকা শিক্ষাখণ্ডৰ বুৰুঙাতলি এম ই স্কুলত অস্বাস্থ্যকৰ পৰিৱেশত প্ৰস্তুত হয় মধ্যাহ্নভোজন। এই অভিযোগ তুলিছে এগৰাকী সচেতন অভিভাৱকে। বিদ্যালয়খনত লেতেৰা পৰিৱেশত মধ্যাহ্ন ভোজন প্ৰস্তুত কৰাৰ বিস্ফোৰক অভিযোগ খুদ স্কুলৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে। ইপিনে, স্কুলৰ বিৰুদ্ধে উত্থাপন হোৱা অভিযোগ একেমুখে নস্যাৎ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক নুৰুল হুদাই। প্ৰধান শিক্ষকৰ মতে স্কুল ঠিকেই চলিছে। ব্যক্তিগত স্বাৰ্থৰ বাবে তুলিছে এনে অভিযোগ। স্কুলৰ অভিভাৱক আৰু স্কুলৰ প্ৰধান শিক্ষক এতিয়া সমুখ সমৰত। অভিযোগ-প্ৰতিঅভিযোগৰ ঘটনাই শেষলৈ কি ৰূপ লয় সময়ত লক্ষণীয় হ'ব। বিদ্যালয়খনত মধ্যাহ্নভোজনৰ ধনকে ধৰি বিভিন্ন চৰকাৰী আঁচনিত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ সৈতে মিলি কমিচনৰাজ চলোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া।

# গোলকগঞ্জত চোৰাং গৰু সহ এজনক আটক

**ই-সংবাদ, গোলকগঞ্জ, ৬ মাৰ্চঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত পূব গাইগোৱা দ্বিতীয় খণ্ড গাঁৱত আজি বিয়লি আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত এটা চোৰাং গো-ধনসহ এজন সৰবৰাহকাৰীক আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আগন্তুক ঈদৰ বাবে বাংলাদেশত বৃদ্ধি পাইছে গো-ধনৰ চাহিদা। যাৰবাবে নিত্য-নতুন কৌশল অৱলম্বন কৰিছে চোৰাং গো-ধন সৰবৰাহকাৰীয়ে। ই-ৰিক্সাৰ আসনৰ তলত নতুনকৈ তৈয়াৰ কৰিছে চেম্বাৰ। বিয়লি গোপন খবৰৰ ভিত্তিত কাছাৰিহাট অভিমুখি ই-ৰিক্সা এখন গোলকগঞ্জ আৰক্ষীয়ে জব্দ কৰে। বাহনখনত তালাচী চলোৱাত চালকৰ আসনৰ তলত নতুনকৈ তৈয়াৰ কৰা চেম্বাৰৰ ভিতৰত এটা চোৰাং গৰু উদ্ধাৰ কৰে। আৰক্ষীয়ে চালকৰূপী সৰবৰাহকাৰীজনকো আটক কৰিবলৈ সক্ষম হয়। সৰবৰাহকাৰীজন আগমনি থানাৰ অন্তৰ্গত খুনিয়াভিটাৰ ফেৰাজুল হক। পশ্চিমবংগৰপৰা গোহাঁই কমল আলিৰে আগমনি হৈ গাইগোৱা গাঁৱেৰে বাংলাদেশ সীমান্ত অঞ্চললৈ গৰুটো নি আছিল বুলি জানিব পৰা গৈছে।



গোলকগঞ্জত স্বাস্থ্য কৰ্মচাৰীৰ প্ৰতিবাদ অব্যাহত




# আজিৰে পৰা কঠীয়াতলীত এন এইচ এম কৰ্মচাৰীৰ কৰ্মবিৰতি

**ই-সংবাদ, কামপুৰ, ৬ মাৰ্চঃ** সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সস্থা এন এইচ এম কঠীয়াতলী গোটৰ দ্বাৰা আজি পুৱা ১০ বজাৰপৰা কঠীয়াতলী স্বাস্থ্যকেন্দ্ৰত ঠিকাভিত্তিত চিকিৎসকসকলৰ লগতে সকলো এম এইচ এম ঠিকাভিত্তিক কৰ্মীয়ে আজিৰপৰা ৭ মাৰ্চলৈ মূল তিনিটা দাবীৰ সমৰ্থনত কৰ্মবিৰতি পালন কৰিছে। কঠীয়াতলী খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ দাবী কমিটীৰ সভাপতি ডাঃ দীপক কুমাৰ গোস্বামী আৰু উপদেষ্টা ডাঃ নৰজ্যোতি দাসে কয় স্বাস্থ্য মানুহৰ পৰম ধন স্বাস্থ্য অবিহনে সকলো মিছা। আমি স্বাস্থ্য বিভাগৰ স্বায়ী কৰ্মচাৰীসকলৰ দৰে সমানে কাম কৰো যদিও চৰকাৰৰ বৈষম্যমূলক নীতিৰে আমাক শোষণ কৰি আহিছে যাৰবাবে আমি অনিচ্ছা সত্বেও কৰ্মবিৰতিৰ দৰে কাৰ্যসূচী পালন কৰিব লগা হৈছে। আমি আশা কৰো অষ্টম দৰমহা আয়োগে আমাৰ বিষয়টোৰ প্ৰতি দৃষ্টি ৰাখিব। ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনৰ কৰ্মচাৰীসকলক খালি হৈ থকা স্বায়ী পদত নিযুক্তি দিয়া, স্বাস্থ্য মিছন অভিযানৰ সকলো কৰ্মচাৰীৰ বাবে পেঞ্চনৰ ব্যৱস্থা কৰা, সকলো কৰ্মচাৰীৰ বাবে সমহাৰত দৰমহা প্ৰদান, স্বাস্থ্য বীমা, বেংকৰ ঋণ প্ৰাপ্তিৰ সুবিধা, গ্ৰেচুইটী প্ৰদান কৰাৰ লগতে অন্য স্থায়ী কৰ্মচাৰীসকলৰ দৰে সকলো সুবিধা প্ৰদান কৰিবলৈ চৰকাৰৰ ওচৰত দাবী জনায় তিনিদিনীয়াকৈ কৰ্মবিৰতি পালন কৰা বুলি জনাই কঠীয়াতলী প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ গোটে। আজি স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন উপ-কেন্দ্ৰসমূহৰ পৰা অহা চিকিৎসক, ফাৰ্মাচিষ্ট, জি এন এম, এ এন এম, লেব-টেক আদি কৰি চল্লিশগৰাকী কৰ্মচাৰীয়ে কৰ্মবিৰতি কাৰ্যসূচীত ভাগ লয়। আন্দোলনকাৰী কঠীয়াতলী গোটৰ সাধাৰণ সম্পাদক কাজিমূল হুছেইনে জানিবলৈ দিয়ে যে চৰকাৰে আমাৰ দাবীসমূহ মানিবলৈ অস্বীকাৰ কৰিলে পৰৱৰ্তী সময়ত সদৌ অসম স্বাস্থ্য আৰু কাৰিকৰী কল্যাণ সন্থাৰ আহ্বানত পুনৰ আন্দোলন তীব্ৰতৰ কৰি তুলিবলৈ বাধ্য হ'ব। কাৰ্যসূচীত অংশগ্ৰহণ কৰে ডাঃ অনুজ বৰা, ডাঃ দীপাংক বৰবৰা, ডাঃ কংকনা তামুলী আদিয়ে।

# ছিপাঝাৰত আঠগৰাকী শিক্ষকক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, ছিপাঝাৰ, ৫ মাৰ্চঃ** দৰং জিলাৰ ছিপাঝাৰ শিক্ষাখণ্ডৰ অন্তৰ্গত ছিপাঝাৰ মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত আজি নায়কপাৰা প্ৰাথমিক বিদ্যালয়ত কেন্দ্ৰটোৰ অন্তৰ্গত আঠগৰাকী শিক্ষকক অৱসৰকালীন বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰাৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত হয়। সভাখনত সভাপতিত্ব কৰে শীতলাবড়ী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক বিজয় নাথে। ১৭৫ নং ছিপাঝাৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ সহকাৰী শিক্ষক দীপক চন্দ্ৰ ডেকাই আঁতধৰা সভাখনত বিশ্ব ভাৰতী প্ৰাথমিক বিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কুমুদ দাস আৰু নায়কপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বীণা বালা ডেকাৰ লগতে পূৰ্বতে সমল কেন্দ্ৰটোৰপৰা অৱসৰ লোৱা ১৭৫ নং ছিপাঝাৰ নিম্ন বুনিয়াদী বিদ্যালয়ৰ শিক্ষয়িত্ৰী নিৰ্মালী বৰুৱা, সহকাৰী শিক্ষক এছ বাহাদুৰ চেত্ৰী, বিশ্বভাৰতী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তেজীমলা দেৱী, গোবিন্দধাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক যতীন চৌধুৰী, নায়কপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক মদন ডেকা আৰু সহকাৰী শিক্ষয়িত্ৰী ৰুণু ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সভাখনত আটাইকেইগৰাকী বিদায়ী অৱসৰী শিক্ষকে মনৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত মণ্ডল সমল কেন্দ্ৰটোৰ নৱ-নিযুক্ত সমন্বয়ক দীপক ডেকাকো আদৰণি জনোৱা হয়। ভুক্তাবাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী পুতুল কুমাৰী বৰুৱা, বিশ্ব ভাৰতী প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক বুদ্ধদেৱ শৰ্মা আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী নিৰ্মালী বৰুৱাই গীত পৰিৱেশন কৰা সভাখনত ঢেঁকীপাৰা আৰু ঘোঁৰাবান্ধা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰণৱ কুমাৰ ডেকাই ব্যক্তব্য আগবঢ়ায়। আনহাতে, ১৮২ নং গোবিন্দধাম প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বেফুলা ডেকা শইকীয়া, ৰাহুল শইকীয়া আৰু পশ্চিম চুবুৰী প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক গৌতম ডেকা, নায়কপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক লক্ষীৰাম ডেকায়ো সভাত বক্তব্য আগবঢ়ায়। সভাখনত শিক্ষক ক্ৰমে ইস্মাখান মখলুক, দীপ্তিমনি শৰ্মা দেৱী, মৃদু কলিতা, শিখা শৰ্মা, ৰুবী দাস, ধীৰুমণি নাথ, মধুস্মিতা ডেকা, অঞ্জলী দেৱী, মাধৱ শৰ্মা আদি উপস্থিত থাকে।

# লাকুৱাত নাৰী দিৱসৰ আয়োজন

**ই-সংবাদ, গেলেকী, ৬ মাৰ্চঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ভগ্নী সংগঠন জাতীয় মহিলা পৰিষদ, শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত লাকুৱা আঞ্চলিক সমিতিৰ সহযোগত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে লাকুৱা সৃজনী প্ৰেক্ষাগৃহত আন্তঃজাৰ্তিক নাৰী দিৱস আয়োজনৰ বাবে প্ৰস্তুতি চলাইছে সংগঠনটোৱে। উক্ত দিৱসৰ লগত সংগতি ৰাখি প্ৰতিযোগিতা, সম্বৰ্ধনা, মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গতিকে ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা কামনা কৰিছে জাতীয় মহিলা পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ লগতে লাকুৱা আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে।

# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভাত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ

**ই-সংবাদ, ডিব্ৰুগড়, ৬ মাৰ্চঃ** ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা ৫ মাৰ্চত ডিব্ৰুগড় সাহিত্য সভা ভৱনত অনুষ্ঠিত হৈ যায়। ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁতধৰা সভাত সভাপতিত্ব কৰে সভাপতি জ্যোতি বৰগোহাঁইয়ে। ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈ, ডিব্ৰুগড় সাহিত্য সভাৰ পূৰ্বৰ সভাপতি বিশিষ্ট সাহিত্যিক ড° শশীকান্ত শইকীয়াকে প্ৰমুখ্যে কৰি ডিব্ৰুগড়ৰ সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ বিষয়ববীয়াসকল উপস্থিত থাকি সাহিত্য সভাকখনক অধিক গতিশীল আৰু আগুৱাই নিয়াৰ ক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আৰু নতুন চামক সাহিত্য সভাৰ প্ৰতি অধিক আৰ্কষীত কৰাৰ বাবে গ্ৰহণ কৰিবলগা বিভিন্ন পদক্ষেপ সন্দৰ্ভত বক্তব্য ৰাখে। আনহাতে, এই কাৰ্যনিৰ্বাহক সভাতেই ডিব্ৰুগড় সাহিত্য সভাত নতুনকৈ নিৰ্মাণ কৰা থানেশ্বৰ বৰা সোঁৱৰণী অতিথিশালা পৰিচালনা কৰাৰ বাবে বিদায়ী সভাপতি ড° শশীকান্ত শইকীয়া, বিদায়ী উপ-সভাপতি বিভাস দুৱৰা আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁইক আগন্তুক পাঁচ বছৰৰ বাবে আনুষ্ঠানিক দায়িত্ব প্ৰদান কৰা হয়। ইয়াৰ লগতে ডিব্ৰুগড় সাহিত্য সভাৰ পুথিভঁৰালটো অধিক গতিশীল তথা সক্ৰিয় কৰাৰ বাবে লামডিং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা তথা বিশিষ্ট গীতিকাৰ আৰাধনা দত্ত আৰু ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক, নিবন্ধকাৰ চন্দন ফুকনক আগন্তুক পাঁচ বছৰৰ বাবে দায়িত্ব অৰ্পণ কৰি আনুষ্ঠানিক পত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ডিব্ৰুগড় সাহিত্য সভাৰ যোৱা ডিচেম্বৰ মাহত অনুষ্ঠিত কৰা দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনত বিশিষ্ট লেখিকা তথা গল্পকাৰ, ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোতি বৰগোহাঁইক সভাপতি, নিৱন্ধকাৰ তথা সাংবাদিক যাদৱ গগৈক উপ-সভাপতি, জ্যেষ্ঠ সাংবাদিক ৰাতুল গোহাঁইক দ্বিতীয়টো কাৰ্যকালৰ বাবে সম্পাদক হিচাপে নিৰ্বাচিত কৰা লগতে মীনাক্ষী দাস বৰুৱাক সহকাৰী সম্পাদক, ভুৱন জ্যোতি বৰুৱাক কোষাধ্যক্ষ, মুক্তামণি হাজৰিকাক সাংগঠনিক সম্পাদক, অৰ্পনা ফুকন দাসক পত্ৰিকা সম্পাদক, উদয়ন্তী হাজৰিকা দত্তক প্ৰকাশন সচিব, হিৰণ্য কৌশিক বৰাক প্ৰচাৰ সম্পাদক, দয়া প্ৰীতি গগৈক কাৰ্যালয় সম্পাদক, ড° ৰুণুমা শৰ্মাক কুঁহি উপ-সমিতিৰ আহ্বায়িকা, ভাৰতী বৰুৱা দুৱৰা আৰু জানী সোণোৱালক আকাশ উপ-সমিতিৰ আহ্বায়িকা, বিউটী লেখাৰু শইকীয়া আৰু বিতুমণি ফুকনক ৰামধেনু উপ-সমিতিৰ আহ্বায়িকা হিচাপে আৰু ৰঞ্জিত গগৈ, ৰক্তিম গগৈ, ধনটি শইকীয়া, দীনেশ দাস, ৰাহুল দাস, দিপীকা গগৈ, অনুপম মহন্ত, বিপ্লৱ ভুঞা, ৰাহুল দাস, ৰাহুল মণ্ডল, পৰাগ দত্ত, ইফতিকাৰ হুছেইনক কাৰ্যনিৰ্বাহক সদস্য আৰু বিশিষ্ট চলচ্চিত্ৰ সমালোচক, লেখক অমিত বৰুৱা আৰু জ্যেষ্ঠ সাংবাদিক অনিল পোদ্দাৰক আমন্ত্ৰিত সদস্য হিচাপে এই কাৰ্যনিৰ্বাহক সভাতেই স্বীকৃতি-পত্ৰ প্ৰদান কৰে।

# পলাশবাৰীৰ ডাম্পাৰৰ খুন্দাত গুৰুতৰভাৱে আহত এজন

**ই-সংবাদ, মিৰ্জা, ৬ মাৰ্চঃ** পলাশবাৰীত ডাম্পাৰৰ দৌৰাত্ম্য অব্যাহত। আৰক্ষী প্ৰশাসনৰ নিৰ্বিকাৰ ভূমিকাত মৃত্যুদূতৰূপী ডাম্পাৰে সংঘটিত কৰিছে এটাৰ পাছত আনটো দুৰ্ঘটনা। পলাশবাৰী আৰক্ষী চকীৰ অন্তৰ্গত তিনিআলিৰ চ'কত আজি দিনৰ ২ বজাত এটা ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। গোসাঁইহাটৰপৰা তিনিআলিৰ চ'ক অভিমুখে আহি থকা তীব্ৰবেগী এখন মাটিভৰ্তি ডাম্পাৰে মহটিয়াই লৈ যায় চাইকেল আৰোহী তাৰণী দাস নামৰ লোকজনক। গুৰুতৰভাৱে আহত হয় পলাশবাৰীৰ কান্দুপুৰৰ নিবাসী তাৰণী দাস। লগে লগে সংকটজনক অৱস্থাত চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় লোকজনক। ঘটনাস্থলীত পলাশবাৰীৰ আৰক্ষী উপস্থিত হোৱাৰ পাছত দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখনক জব্দ কৰি আৰক্ষী চকীলৈ লৈ যায়। দুৰ্ঘটনা সংঘটিত কৰা ডাম্পাৰখনৰ নম্বৰ এ এছ ০১ কে চি ৬১৪১। এই অঞ্চলত ডাম্পাৰৰ দৌৰাত্ম্যকৰ বাবে দুৰ্ঘটনাত পতিত হৈ অৰ্ধশতাধিক লোকে এতিয়ালৈকে প্ৰাণ হেৰুৱাব লগা হৈছে। মৃত্যুদূতৰূপী ডাম্পাৰৰ দৌৰাত্ম্যক ৰোধ কৰিবলৈ কেতিয়া সক্ষম হ'ব চৰকাৰ তথা প্ৰশাসন? উন্নয়নৰ নামত কেতিয়ালৈ এইদৰে বলি হৈ থাকিব লাগিব সাধাৰণ জনতা সেই কথা এতিয়া সকলো লোকৰ মুখে মুখে।

# আজিৰেপৰা আমনি শংকৰ আশ্ৰম বাবাৰ থানৰ সভা মহোৎসৱ

**ই-সংবাদ, চামতা, ৬ মাৰ্চঃ** নলবাৰী জিলাৰ চামতাৰ সমীপৰ আমনি ৰাজহুৱা শংকৰ আশ্ৰম বাবাৰ থানত কাইলৈ ৭ মাৰ্চৰপৰা ১১ মাৰ্চলৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ৪৬ সংখ্যক বাৰ্ষিক সভা মহোৎসৱৰ আয়োজন কৰিছে। ইতিমধ্যে আশ্ৰম তথা সভা মহোৎসৱ পৰিচালনা কৰাৰ বাবে প্ৰবীণ বৰ্মনক সভাপতি, শশী কুমাৰ বৰ্মনক কাৰ্যকৰী সভাপতি, পৰেশ বৰ্মন আৰু কামিনী কুমাৰ বৰ্মনক উপ-সভাপতি, বাণীকান্ত বৰ্মনক সাধাৰণ সম্পাদক, মোহন বৰ্মন আৰু মথুৰ ৰাজবংশীক সহঃ সম্পাদক হিচাপে সমিতি গঠন কৰাৰ লগতে বিভিন্ন উপঃ সমিতি গঠন কৰিছে। কাৰ্যসূচী অনুসৰি ৭ মাৰ্চৰ ৰাতিপুৱা ৪.৩০ বজাত প্ৰভাত ফেৰী। ৰাতিপুৱা ৬ বজাত উষা কীৰ্তন, ৭ বজাত আমনি জনকল্যাণ হাইস্কুলৰ স্কাউট এণ্ড গাইডৰ দ্বাৰাই চাফাই কাম। ৮ বজাত সভাৰ দ্বাৰ মুকলি কৰিব আশ্ৰম পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ বৰ্মনে। ৮.৩০ বজাত ধৰ্মধ্বজা উত্তোলন কৰিব কাৰ্যকৰী সভাপতি শশী কুমাৰ বৰ্মনে। ৯ বজাত মন্দিৰত বন্তি প্ৰজ্বলন কৰিব পবন ডেকা, কামিনী কুমাৰ বৰ্মন আৰু পৰেশ বৰ্মনে। ১০ বজাত শ্বহীদ বেদীত মাল্যাৰ্পণ ও বন্তি প্ৰজ্বলন। ১১.৩০ বজাত বৃক্ষ ৰোপণ। দুপৰীয়া ১২ বজাত ভাগৱত পাঠ। সন্ধিয়া ৬ বজাত আতচবাজি প্ৰদৰ্শন। ৭ বজাত সমন্বয় থিয়নাম পৰিৱেশন। ৮ মাৰ্চৰ ৰাতিপুৱা ৬ বজাত উষা কীৰ্তন, ৭ বজাত হোমৰ আয়োজন, ৮ বজাত অকুমাৰী ছোৱালী আৰু আয়তীৰ দ্বাৰা পানী উত্তোলন, ৯ বজাত পূজাৰ আয়োজন ও বন্তি প্ৰজ্বলন, ১০ বজাত পাৰ্থপ্ৰতিম দাস, চেংনৈ নলবাৰীৰ দ্বাৰা নাগাৰা নাম পৰিবেশন, দুপৰীয়া ১২ বজাত বটবৃক্ষ প্ৰদৰ্শন আৰু ধুনি প্ৰজ্বলন, ১২.৩০ বজাত হোমৰ শান্তি, পুষ্পাঞ্জলি প্ৰদান আৰু প্ৰসাদ বিতৰণ, ১ বজাত ভক্তৰ মাজত সমূহীয়া ভোগ বিতৰণ, সন্ধিয়া ৬ বজাত সমূহীয়া বন্তি প্ৰজ্বলন, প্ৰজ্বলক চন্দ্ৰমোহন পাটোৱাৰী, অসম চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী, বৰ্ণালী ডেকা, আয়ুক্ত নলবাৰী জিলা, ৰিমা কৌশিক চক্ৰ-বিষয়া, পশ্চিম নলবাৰী আৰু নীলমনি নাথ, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বেলশৰ থানা। ৬.৩০ বজাত আৰতি প্ৰদৰ্শন, ৭ বজাত আতচবাজি প্ৰদৰ্শন, ৭.৩০ বজাত সুভাষ নাথ, ছিপাঝাৰ আৰু ৰাজীৱ ডেকা, সাহান, কামৰূপৰ নাগাৰা নাম পৰিৱেশন। ৯ মাৰ্চৰ ৰাতিপুৱা ৬ বজাত উষা কীৰ্তন, ১০ বজাত মহিলাৰ নাম প্ৰতিযোগিতা, দিনৰ ৩ বজাত ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া ৬ বজাত আৰতি প্ৰদৰ্শন, ৬.৩০ বজাত পৰমান্ন ভোগ বিতৰণ, ৭ বজাত মঞ্চ মুকলি, সন্ধিয়া ৭.৩০ বজাত ঢুলীয়া প্ৰদৰ্শন আৰু নিশা ১০.৩০ বজাত ৰাজনন্দিনী ভ্ৰাম্যমান নাট্যদল সৰ্থেবাৰীৰ দ্বাৰা নাট্যাভিনয়। ১০ মাৰ্চৰ ৰাতিপুৱা ৬ বজাত উষা কীৰ্তন, ১০ বজাত ভাগৱত পাঠ, দিনৰ ৩ বজাত ঢুলীয়া প্ৰদৰ্শন, সন্ধিয়া ৫.৩০ বজাত আৰতি প্ৰদান, ৬ বজাত একক নৃত্য প্ৰতিযোগিতা, নিশা ১০ বজাত আমন্ত্ৰিত শিল্পী আৰু স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া। ১১ মাৰ্চৰ ৰাতিপুৱা ৬ বজাত উষা কীৰ্তন, ৯ বজাত ভাগৱত পাঠ, সন্ধিয়া ৬ বজাত আৰতি প্ৰদৰ্শন, ৬.৩০ বজাত পৰমান্ন ভোগ বিতৰণ, সন্ধিয়া ৭ বজাত আতচবাজি প্ৰদৰ্শন, ৮ বজাত আমন্ত্ৰিত দলৰ দ্বাৰা নৃত্য প্ৰদৰ্শন আৰু নিশা ১০ বজাত মৰ্মিতা মিত্ৰৰ গীতেৰে সাংস্কৃতিক সন্ধিয়া।

# আন্তঃক্লাব ক্ৰিকেট লীগ লাইফ লাইন ক্লাব চেম্পিয়ন

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৬ মাৰ্চঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজি সামৰণি পৰা সহজানন্দ ওজা সোঁৱৰণী আন্তঃক্লাব ক্ৰিকেট লীগ (ক্লাষ্টাৰ-২)ত লাইফ লাইন ক্লাবে চূড়ান্ত বিজয়ী খিতাপ অৰ্জন কৰিছে। মুঠ-৮টা ক্লাবৰ যোগদানৰে আয়োজিত এই লীগৰ আজিৰ ফাইনেলত লাইফ লাইন ক্লাবে নগাঁও ৰাজস্থানী যুৱক সংঘ (এনআৰৱাইএছ)ক ৬৩ ৰাণত পৰাজিত কৰে। খেলখনত লাইফ লাইন ক্লাবে টছত জিকি পোনতে বেট ধৰি ধৰণী বৰদলৈৰ অপৰাজিত-৪৭, বিদ্যুতৰ-৩১, বিকাশ বৰদলৈৰ-১৬ আৰু কমল লোচনৰ-১৪ ৰাণৰ উল্লেখনীয় বৰঙনিৰে ২০ অভাৰত পাঁচটা উইকেটৰ বিনিময়ত ১৩৮ ৰাণ সংগ্ৰহ কৰে। বলিঙত এন আৰ ৱাই এছৰহৈ শুভম আগৰৱালাই তিনিটা, গুঞ্জন শৰ্মা আৰু ধীৰাজ শৰ্মাই এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত এন আৰ ৱাই এছ দলটোৱে ধীৰাজ শৰ্মাৰ-২৫ আৰু বিকাশ চৰ'ৱীয়াৰ-১৮ ৰাণৰ উল্লেখনীয় বৰঙনি স্বত্বেও ১৮.৪ অভাৰত সকলোকেইটা উইকেট হেৰুৱাই ৭৫ ৰাণহে কৰিবলৈ সক্ষম হয়। বলিঙত লাইফ লাইন ক্লাবৰহৈ ৰছিদুল হকে তিনিটা, আৰিফুল ইছলাম আৰু ধৰণী বৰদলৈয়ে দুটাকৈ, বিকাশ বৰদলৈ আৰু প্ৰান্টু শৰ্মাই এটাকৈ উইকেট দখল কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ ক্ৰিকেট শাখাৰ সম্পাদক মৃনাল কুমাৰ হাজৰিকাই জনোৱামতে, লাইফ লাইনৰ ধৰণী বৰদলৈ ফাইনেলৰ প্লেয়াৰ অব দ্যা মেচৰ লগতে প্লেয়াৰ অব দ্যা টুৰ্ণামেণ্ট, ৰছিদুল হক শ্ৰেষ্ঠ বলাৰ আৰু এন আৰ ৱাই এছৰ গুঞ্জন শৰ্মা শ্ৰেষ্ঠ বেটছমেনৰূপে বিবেচিত হয়। ছাব্বিৰ আহমেদ আৰু ইয়াচিনুল হক আম্পায়াৰৰূপে থকা ফাইনেল খেলখনৰ অন্তত সামৰণি অনুষ্ঠানত প্ৰয়াত ক্ৰীড়া সংগঠক সহজানন্দ ওজাৰ পুত্ৰ তথা প্ৰাক্তন ক্ৰিকেটাৰ স্মৰজিৎ ওজা আৰু নগাঁও ক্ৰীড়া সংস্থাৰ উপ সভাপতি তপন কুমাৰ শৰ্মাৰ লগতে ক্ৰীড়া সংগঠক সকলৰ উপস্থিতিত বিভিন্ন বঁটাসমূহ বিতৰণ কৰা হয়।



ডব্লিউপিএলত ইউপি ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে মুম্বাই ইণ্ডিয়ানছৰ খেলত ক্ৰিজত এমিলী কেৰ



প্ৰকৃতিৰ বিনন্দীয়া ৰূপ! শিমলু ফুলাৰ বতৰত কাজিৰঙাৰ বুকুত এটি গঁড়ৰ মুক্ত বিচৰণ, ফটোঃ ত্ৰিদীপ কলিতা

## আকৌ ৰোহিত, কোহলিৰ বাবে নিয়ম বান্ধি দিলে বিচিচিআইয়ে

# আইপিএলৰ বাবে খেলুৱৈলৈ ১৫টা নিয়ম ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ

**নতুন দিল্লী, ৬ মাৰ্চঃ** অষ্ট্ৰেলিয়াৰ হাতত টেষ্ট শৃংখলাত পৰাস্ত হোৱাৰ পিছত ভাৰতীয় ক্ৰিকেট খেলুৱৈৰ বাবে ১০টা গাইডলাইন জাৰি কৰিছিল ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে। বিৰাট কোহলি আৰু ৰোহিত শৰ্মাই সেই নিৰ্দেশনা মানি চলিব লগা হৈছিল। এইবাৰ আইপিএলৰ ক্ষেত্ৰতো কঠোৰ ফতোৱা জাৰি কৰিছে ব'ৰ্ডে। প্ৰতিযোগিতা আৰম্ভ হোৱাৰ পূৰ্বে ১০টা দলক ১৫টা গাইডলাইন দিয়া হৈছে, যিবোৰ ক্ৰিকেটাৰসকলে মানি চলিব লাগিব। গাইডলাইনৰ ভিতৰত উল্লেখযোগ্য যে প্ৰতিটো দলক অনুশীলনৰ বাবে খেলপথাৰৰ মাজত দুখন নেট দিয়া হ'ব, আৰু কাষৰ উইকেটত আন এখন নেট দিয়া হ'ব। কিন্তু এটা দলে প্ৰথমে অনুশীলন শেষ কৰিলে সেই নেটত আনটো দলে অনুশীলন কৰিব নোৱাৰিব। মেচ ডে'ত কোনো দলকে অনুশীলন কৰিবলৈ দিয়া নহ'ব আৰু মেচ ডে'ত কোনো ফিটনেছ টেষ্ট কৰা নহ'ব। অনুশীলনৰ সময়ত লকাৰ ৰুম আৰু খেলপথাৰত প্ৰৱেশ কৰিবলৈ ব'ৰ্ডে প্ৰদান কৰা ফটো আইডি কাৰ্ডৰ প্ৰয়োজন হ'ব। ইয়াৰোপৰি যদি কোনো দলৰ অতিৰিক্ত থ্ৰ' ডাউন বিশেষজ্ঞ বা নেট বলাৰৰ প্ৰয়োজন হয় তেন্তে পূৰ্বৰ অনুমতি ল'ব লাগিব। ক্ৰিকেটাৰসকলে অনুশীলন কৰিবলৈ যাবলৈ দলীয় বাছ ব্যৱহাৰ কৰিব লাগিব। আনহাতে, খেলৰ সময়ত এলইডি ব'ৰ্ডত কোনেও বল মাৰিব নোৱাৰিব আৰু তেওঁলোকৰ আসনৰ ব্যৱস্থা পৃষ্ঠপোষকে নিৰ্ধাৰণ কৰিব। টুপী পিন্ধা সম্পৰ্কেও নতুন নিয়ম আছে, যিবোৰ মানি চলিব লাগিব। খেলৰ পিছত বঁটা বিতৰণী অনুষ্ঠানত হাতৰ আঁচল নথকা জাৰ্চি পিন্ধিব নোৱাৰিব, আৰু সহায়ক কৰ্মচাৰীৰ সংখ্যা ১২ জন লোকৰ মাজত সীমাবদ্ধ থাকিব। এই নিয়মসমূহ পালন নকৰিলে ক্ৰিকেটাৰসকলে শাস্তিৰ সন্মুখীন হ'ব লাগিব। ২২ মাৰ্চৰ পৰা আৰম্ভ হ'ব আইপিএল, প্ৰথমখন মেচত মুখামুখি হ'ব কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু। খেলৰ পূৰ্বে এতিয়া নিৰ্দেশনা জাৰি কৰিছে বিচিচিআইয়ে।


ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON


newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি